www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, SEPTEMBER 26, 2024 ■ বৃহস্পতিবাৰ।। ৯ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬৪ Guwahati, Assam ।। মূল্যঃ এটকা

## কফিনত বিকি উভতিল ঘৰলৈ

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰঃ** ভাৰতীয় বায়ু সেনাৰ চাৰ্জেন পদত মেধাৰ ভিত্তিত ৪ পৃষ্ঠাত চাওক

## সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ বিস্ফোৰক অভিযোগ

# পবিতৰাত চকু পৰিছে 'ষ্টাৰ চিমেণ্ট'ৰ





**ই-সংবাদ, গুৱাহাটী, ২৫ ছেপ্টেম্বৰঃ** চিমেণ্ট কোম্পানীয়ে দপদপাই থকা কামৰূপ মহানগৰ জিলাৰ ট্ৰাইবেল বেল্ট সোণাপুৰত উচ্ছেদ অভিযান অব্যাহত ৰখাৰ সময়তে পোহৰলৈ আহিছে আন এক ভয়ংকৰ খবৰ। এই শেষাংশ ৪ পৃষ্ঠাত

## আজিকালিৰ স্কুলীয়া কিতাপত নীতিশিক্ষাৰ কথা নাই নেকি?

■ আব্দুৰ ৰছিদ চৌধুৰী

**বৰ্তমান** সময়ৰ এটি বহু চৰ্চিত বিষয় হ'ল বিদ্যালয় পৰ্যায়ত নীতিশিক্ষাৰ প্ৰয়োজনীয়তা। সাধাৰণতে যিসকল লোকে এই বিষয়ে চৰ্চা কৰে, তেওঁলোকে বিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰমত নীতিশিক্ষা নাই বুলি হায়ে-বিয়ে কৰা দেখা যায়। তেওঁলোকৰ মতে নীতিশিক্ষাৰ দৰে এটি গুৰুত্বপূৰ্ণ বিষয় আমাৰ পাঠ্যক্ৰমৰ পৰা বাদ দিয়া হৈছে। নীতিশিক্ষা বিষয়টোৰ প্ৰয়োজনীয়তা আৰু গুৰুত্ব বুজি তেওঁলোকে এনে কৰে। পূৰ্বৰ পাঠ্যক্ৰমসমূহত চৰিত্ৰ-পাঠ নামৰ এখন পাঠ্যপুথি সংলগ্ন আছিল। কিন্তু ১৯৮৬ চনৰ নতুন শিক্ষা নীতি প্ৰৱৰ্তন হোৱাৰ পিছত পাঠ্যক্ৰম সলনি হোৱাত চৰিত্ৰ-পাঠ নামৰ কিতাপখন নোহোৱা কৰা হয়। অসম মাধ্যমিক শিক্ষা পৰিষদ (SEBA)ৰ অধীনত শেষাংশ ২ পৃষ্ঠাত

## মন্ত্ৰীৰ কাৰ্যালয়ৰ পৰাই চলিছিল 'নেক্সাছ'

# মন্ত্ৰী সঞ্জয় কিষাণক অপসাৰণ কৰি গ্ৰেপ্তাৰৰ দাবী তুলিলে বিৰোধীয়ে



**ই-সংবাদ, ২৫ ছেপ্টেম্বৰঃ** বিজেপিৰ ৰাজ্যিক নেতাক প্ৰৱঞ্চনাৰ গোচৰত গ্ৰেপ্তাৰৰ পাছৰে পৰা ৰাজ্যৰ ৰাজনীতি গৰম হৈ পৰিছে। অসম সচিবালয়ৰ পৰা প্ৰৱঞ্চনা আৰু দুৰ্নীতি চলি থকাৰ শেষাংশ ৫ পৃষ্ঠাত

## ৰাজহুৱা কৰা হ'ব বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন

### আছুৰে বৈঠক সম্পন্ন

**ই-সংবাদ, ২৫ ছেপ্টেম্বৰঃ** জনতা ভৱনত আজি অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰীক লৈ বিশেষ বৈঠক অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ অসম চুক্তি বিভাগৰ আহ্বানত অনুষ্ঠিত এই বৈঠকত শেষাংশ ৫ পৃষ্ঠাত

## কোৱালিটি টেষ্টত ফেইল পেৰাচিটামল, ভিটামিনৰ টেবলেট

# ৰৰবিহত পৰিণত ৫৩ বিধ ঔষধ

**মুম্বাই, ২৫ ছেপ্টেম্বৰঃ** বেমাৰ ভাল পাব বুলি নিতৌ ব্যৱহাৰ কৰা ঔষধে বিপদত পেলাব পাৰে আপোনাকো। গুণগত মানদণ্ড পূৰণ নকৰাকৈ বজাৰত ৰোগ নিৰাময়ৰ বাবে মুকলি কৰা দিয়া প্ৰায় অৰ্ধশতাধিক পৰিচিত ঔষধক লৈ এতিয়া বৃদ্ধি পাইছে উদ্বেগ। কিয়নো শেহতীয়াকৈ ভাৰতৰ ঔষধ নিয়ন্ত্ৰক চেণ্ট্ৰেল ড্ৰাগছ ষ্টেণ্ডাৰ্ডছ কণ্ট্ৰল অৰ্গেনাইজেশ্যনে (চিডিএছচিঅ') তেওঁলোকৰ শেষাংশ ৩ পৃষ্ঠাত

## দৰঙৰ পিছত যোৰহাটত ছাত্ৰক আক্ৰমণ ছাত্ৰৰ

**ই-সংবাদ, যোৰহাট, ২৫ ছেপ্টেম্বৰঃ** ৰাজ্যৰ আন এখন জিলাৰ শিক্ষানুষ্ঠানত সংঘটিত হৈছে শেষাংশ ৩ পৃষ্ঠাত

## হাত দীঘল চোলা নিষিদ্ধ হ'ব অহা দেওবাৰৰ নিযুক্তি পৰীক্ষাত


**ই-সংবাদ, ২৫ ছেপ্টেম্বৰঃ** এডিআৰই পৰীক্ষাক লৈ নতুন এছঅপি প্ৰকাশ কৰিছে ৰাজ্য চৰকাৰে। শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা পৰীক্ষাৰ সময়ত চলোৱা তালাচী আৰু কাকত ফাদিলক লৈ সৃষ্টি শেষাংশ ৪ পৃষ্ঠাত

# দিল্লী আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ বিতৰ্কিত আৰটিআই কৰ্মী, অভিযুক্ত দুলাল

## ট্ৰেনজিট ৰিমাণ্ডত ল'ব অসম আৰক্ষীয়ে



**ই-সংবাদ, ২৫ ছেপ্টেম্বৰঃ** অৱশেষত আৰক্ষীৰ জালত পৰিছে ৫ দিন ধৰি অন্তৰ্ধান হৈ থকা বিতৰ্কিত দুলাল বৰা। বিজেপি নেতাৰ আত্মহনন কাণ্ডত নাম সাঙোৰ খোৱা শেষাংশ ৩ পৃষ্ঠাত



# নগাঁৱত ৰাজশ্ৰীৰ কাণ্ড!

**ই-সংবাদ, নগাঁও, ২৫ ছেপ্টেম্বৰঃ** সৰিয়হৰ ডুলিতে ভূত। এই আপ্তবাক্যশাৰীকে সত্য বুলি প্ৰমাণিত কৰিলে শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিকালিৰ স্কুলীয়া কিতাপত

১৯৯৬ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বহা ছাত্ৰ-ছাত্ৰীসকলে হৈছে চৰিত্ৰ-পাঠ নপঢ়া প্ৰথম ছাত্ৰ-ছাত্ৰী। এই কিতাপখন নাইকিয়া হোৱাৰ পিছৰে পৰা এচাম লোকে পাঠ্যক্ৰমত নীতিশিক্ষা নথকা বিষয়টোকলৈ আলোচনা কৰি অহা দেখা গৈছে। কিন্তু বৰ্তমান সময়ত বিদ্যালয় পৰ্যায়ত যি পাঠ্যক্ৰম প্ৰচলিত আছে সেই পাঠ্যক্ৰমত সঁচাকৈ নীতিশিক্ষা নাইনে? এই বিষয়ে আলোচনা কৰাৰ পূৰ্বে পাঠ্যক্ৰম সম্পৰ্কে দুটা সৰু কথা জনা উচিত।

প্ৰথম কথা হ'ল পাঠ্যপুথি হৈছে পাঠ্যক্ৰমৰ এটা অংশ। দ্বিতীয় কথা হ'ল বিদ্যালয়কেন্দ্ৰিক বিভিন্ন কাৰ্যকলাপ হৈছে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত। তৃতীয় কথা হ'ল এতিয়া সমন্বিত (Integrated) পাঠ্যক্ৰমৰ যুগ। এতিয়া ভাষাৰ মাধ্যমত নীতিশিক্ষা, গণিতৰ মাধ্যমত নীতিশিক্ষা প্ৰদান কৰা হয়। ইয়াৰ বাবে পৃথক পাঠ্যপুথিৰ প্ৰয়োজন নাই। আমি আমাৰ অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰচলিত ভাষা বিষয়ৰ (অসমীয়া আৰু ইংৰাজী) কেইটামান পাঠৰ উদাহৰণ দাঙি ধৰিব বিচাৰিছো।

ষষ্ঠ শ্ৰেণীৰ অসমীয়া ভাষাৰ পাঠ্যপুথি 'অংকুৰণ'ৰ পঞ্চম পাঠ গুৰুদক্ষিণা সম্পৰ্কে উল্লেখ কৰিব বিচাৰিছো। পাঠটোৰ মূল কাহিনীটো এনে ধৰণৰ, বেদকণ্ঠ নামৰ এজন গুৰু আছিল। তেওঁৰ টোলত কুৰিজনমান ছাত্ৰ আছিল। ছাত্ৰসকলে বছেৰেকত এবাৰ গাঁৱলৈগৈ ধনী মানুহৰ পৰা ভিক্ষা মাগি গুৰুক দক্ষিণা দিয়াৰ নিয়ম। এদিন গুৰুই সকলো ছাত্ৰক মাতি গুৰুদক্ষিণা বিচাৰি কলে, 'আজিকালি মানুহে দান-দক্ষিণা দিব নিবিচাৰে। গতিকে তোমালোকে গছৰ আঁৰত লুকাই থাকি কোনো সাউদ গ'লে কোনেও নেদেখাকৈ তেওঁৰ পৰা ধন কাঢ়ি আনিবা'। গুৰুৰ কথা শুনি সত্যব্ৰত নামৰ ছাত্ৰজনৰ বাহিৰে সকলো ছাত্ৰ গ'ল। সত্যব্ৰত নোযোৱা দেখি গুৰুৱে ইয়াৰ কাৰণ জানিব বিচাৰিলে। তেতিয়া সত্যব্ৰতে কলে, 'আপোনাৰ পৰাই জানিব পাৰিছোঁ, গুৰুদেৱ পৃথিৱীত এনে ঠাই নাই, য'ত ঈশ্বৰ নাই, আমি এনে একো কাম কৰিব নোৱাৰো, যি কাম ঈশ্বৰে দেখা নোপোৱাকৈ থাকে'।

তাৰ পিছত ছাত্ৰজনে গুৰুক প্ৰশ্ন কৰিলে, 'কোনোৱে নেদেখা ঠাই মই কিদৰে বিচাৰি উলিয়াম'? সত্যব্ৰতৰ কথা শুনি বেদকণ্ঠ আপ্লুত হ'ল আৰু বাকী ছাত্ৰসকলক উভতাই আনিবলৈ দিলে। যিকোনো অৱস্থাতে অন্যায় অনীতিৰ আশ্ৰয় ল'ব নালাগে, এই কথা ছাত্ৰ-ছাত্ৰীসকলক শিকিৱাটো হ'ল এই পাঠটোৰ মূল উদ্দেশ্য।

পঞ্চম শ্ৰেণীৰ অসমীয়া ভাষাৰ পাঠ্যপুথি 'অংকুৰণ'ৰ দশম পাঠ 'তিনিটা মাছৰ কাহিনী'টো নীতশিক্ষা প্ৰদান কৰিব বিচৰা হৈছে। কাহিনীমতে এখন বিলত অনাগতবিধাতা, প্ৰত্যুৎপন্নমতি আৰু যদভৱিষ্য নামৰ তিনিটা মাছে বাস কৰিছিল। এদিনাখন কেইজনমান মাছমৰীয়া বিললৈ আহি পৰৱৰ্তী দিনা মাছ ধৰাৰ কথা আলোচনা কৰিলে। এই কথা শুনি অনাগতবিধাতাই প্ৰত্যুৎপন্নমতি আৰু যদভৱিষ্যৰ লগত আলোচনা কৰিলে আন ঠাইলৈ যোৱাৰ কথা ক'লে। অনাগতবিধাতাৰ কথাত প্ৰত্যুৎপন্নমতিয়ে হয়ভৰ দিলে কিন্তু যদভৱিষ্য অমান্তি হ'ল। বহু আলোচনাৰ অন্তত যদভৱিষ্যক এৰি বাকী দুটা মাছ আন ঠাইলৈ গুচি গ'ল। পৰৱৰ্তী দিনা যদভৱিষ্য মাছমৰীয়াৰ জালত পৰিল। ইয়াৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে যি শিক্ষা লাভ কৰিব সেয়া নীতিশিক্ষাৰ বাহিৰে আন একো নহয়।

সপ্তম শ্ৰেণীৰ অসমীয়া ভাষাৰ পাঠ্যপুথি 'অংকুৰণ'ত 'নোকোৱাৰ পৰিণাম' নামৰ এখন সৰু নাটিকা আছে। পাঠ ষষ্ঠ। কন্যাকালত দেখা দিয়া সমস্যাকলৈ নাটকখন ৰচনা কৰা হৈছে। এই সমস্যাসমূহ উপযুক্ত চিকিৎসকৰ লগত আলোচনা নকৰি লুকাই থলে যে বিপদ অনিবাৰ্য সেই কথা নাটকখনত বুজাব বিচৰা হৈছে। ইয়াৰ উপৰিও ইংৰাজী বিষয়তো এনে বহু পাঠ আছে তাৰে কেইটামান তলত উল্লেখ কৰা হ'ল।

চতুৰ্থ শ্ৰেণীৰ Beginners' English-IV ৰ The Hidden Treasure পাঠটোত এজন খেতিয়কৰ দুজন এলেহুৱা ল'ৰাৰ বিষয়ে আছে। এদিনাখন দেউতাকে তেওঁলোকক পথাৰলৈ নি তাত গুপ্ত ধন আছে বুলি ক'লে। দেউতাকৰ কথা শুনি ল'ৰা দুজনে পথাৰখন খান্দিলে। তাত কোনো গুপ্ত ধন নাপায় তেওঁলোকে ধান সিঁচে। পথাৰত তেতিয়া ধান পকে, পকা ধানলৈ দেখুৱাই দেউতাকে সেয়াই গুপ্ত ধন বুলি কোৱাত, ল'ৰা দুজনে কষ্ট নকৰিলে ফল পোৱা নাযায় বুলি বুজি পালে। এই যে কৰ্ম বিমুখ ল'ৰাদুজনে কষ্ট নকৰিলে একো পোৱা নাযায় বুলি অনুধাৱন কৰিলে ইয়াতকৈ ডাঙৰ নীতিশিক্ষা আৰু কি হ'ব পাৰে!

পঞ্চম শ্ৰেণীৰ Beginners' English-V ৰ The Joy of Helping পাঠত ভূমিকম্পত ক্ষতিগ্ৰস্ত লোকক সহায় কৰাৰ বাবে প্ৰধান শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক উদ্বুদ্ধ কৰা আৰু অষ্টম শ্ৰেণীৰ Sunbeam English Reader-III ৰ The Prince of Panidihing নামৰ পাঠটোত বানপীড়িত ৰাইজক খগেন আৰু তেওঁৰ বন্ধুবৰ্গই উদ্ধাৰ কৰাৰ কাহিনী আছে। ইয়াৰ জৰিয়তে বিপদগ্ৰস্থ লোকক সহাযৰ বাবে ছাত্ৰ-ছাত্ৰসকলক উৎসাহ যোগাব বিচৰা হৈছে। যি নিশ্চিতভাৱে নীতশিক্ষা।

ওপৰত উল্লেখ কৰা পাঠ কেইটা হ'ল কেইটামান উদাহৰণ। ইয়াৰ উপৰিও আৰু বহুতো পাঠ আছে য'ত নীতিশিক্ষা প্ৰদান কৰা হৈছে। এই ক্ষেত্ৰত আমি এটাও কবিতা উল্লেখ কৰা নাই। পাঠ্যপুথত থকা কবিতাসমূহৰ বেছিভাগতে দেশপ্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ ভাৱ প্ৰকাশ পোৱা যায়। দেশপ্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ জৰিয়তে এক প্ৰকাৰ নীতিশিক্ষাই প্ৰকাশ কৰা হৈছে এই কবিতাসমূহত।

আমি আগতে উল্লেখ কৰিছোঁ যে পাঠ্যপুথিসমূহ পাঠ্যক্ৰমৰ এটা অংশহে। ইয়াৰ উপৰিও বিভিন্ন 'বিদ্যালয়কেন্দ্ৰিক ক্ৰিয়াকলাপ' পাঠ্যক্ৰমৰ এটি অবিচ্ছেদ্য অংগ। এই ক্ৰিয়াকলাপৰ ভিতৰত প্ৰাতঃসভা, বিভিন্ন উৎসৱ উদযাপন আৰু খেল-ধেমালি আদি অন্তৰ্ভুক্ত। নীতিশিক্ষা প্ৰদানৰ ক্ষেত্ৰত প্ৰাতঃসভাই বিশেষ ভূমিকা পালন কৰা দেখা যায়। প্ৰাতঃসভাৰ এটা গুৰুত্বপূৰ্ণ অংশ হৈছে প্ৰাৰ্থনা। প্ৰাৰ্থনাৰ কথাটো আমি এৰাই চলিলেও এই সভাত ছাত্ৰ-ছাত্ৰীসকলে গান্ধীজীৰ একাদশ ব্ৰত, অহিংসা, সত্য, আস্তেয়, ব্ৰহ্মচৰ্য, অসংগ্ৰহ, শৰীৰ শ্ৰম, অস্বাদ, সৰ্বত্ৰ ভয় বৰ্জন, সৰ্ব ধৰ্ম সমানত্য, স্বদেশী, স্পৰ্শ ভাৱনা গ্ৰহণ কৰা দেখা যায়।

ইয়াৰ উপৰিও 'এইখন আমাৰ বিদ্যালয়, বিদ্যালয়খন আমাৰ আপোন, আমি সদায় বিদ্যালয়লৈ আহিম, বিদ্যালয়, ঘৰ-দুৱাৰ পৰিষ্কাৰকৈ ৰাখিম, পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰী আৰু জ্যেষ্ঠসকলক শ্ৰদ্ধা জনাম, আমি ছাত্ৰ-ছাত্ৰীসকল দেশৰ ভৱিষ্যৎ নাগৰিক, আমি দেশৰ সন্মান অটুট ৰাখিবলৈ চেষ্টা পথত অগ্ৰসৰ হ'ম', সংকল্প গ্ৰহণ কৰে। ইয়াৰ লগতে প্ৰাত-সভাত ছাত্ৰ-ছাত্ৰীসকলে মহৎ লোকৰ বাণী শুনাই। যিবোৰৰ পৰা বহু নৈতিক জ্ঞান আহৰণ কৰিব পাৰি। তাৰ পিছতো যদি কোনো ব্যক্তিয়ে এতিয়া বিদ্যালয় পাঠ্যক্ৰমত নীতিশিক্ষা নাই বুলি কয় সেই কথা মানি ল'ব পৰা যায়নে? সেই বিচাৰৰ ভাৰ পাঠকসকলৰ।

আমাৰ বিদ্যালয়সমূহত বৰ্তমান যি পাঠ্যক্ৰম প্ৰচলিত আছে সেই পাঠ্যক্ৰম National Curriculum Framework (NCF) 2005 অনুসৰি প্ৰস্তুত কৰা। এনচিএফ ২০০৫ত মানৱ অধিকাৰ, ন্যায়, সহিষ্ণুতা, সহযোগিতা, সামাজিক দ্বয়িত্ববোধ, অহিংসা, সাংস্কৃতিক বৈচিত্ৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা আদি মূল্যবোধৰ শিক্ষা প্ৰদান কৰাত গুৰুত্ব আৰোপ কৰিছে। আমাৰ পাঠ্যক্ৰমসমূহত এই বিষয় বোৰ অন্তৰ্ভুক্ত হৈছে। ইফালে ২০২০ চনৰ নতুন শিক্ষা নীতিতো সেৱা, স্বচ্ছতা, সত্য, শান্তি, ত্যাগ, সহিষ্ণুতা, বৈচিত্ৰ্য, বহুত্ববাদ আদি বিষয়সমূহ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ কথা কৈছে। ওপৰত উল্লেখ কৰা পাঠসমূহৰ লগতে প্ৰাত-সভাৰ জৰিয়তে এই বিষয়ে শিক্ষা প্ৰদান কৰা হৈছে। গতিকে আমাৰ পাঠ্যক্ৰমত নীতিশিক্ষা নাই বোলা কথাটো আমাৰ ধৰণাহে। চৰিত্ৰ-পাঠ নামৰ পুথিখন উঠাই দিয়াৰ পৰা এই ধাৰণা সৃষ্টি হৈছে। বাস্তৱিকতে এই ধাৰণা সঁচা নহয়। কিয়নো আমাৰ প্ৰচলিত পাঠ্যক্ৰমত নীতিশিক্ষামূলক বহু পাঠ আৰু ক্ৰিয়াকলাপ অন্তৰ্ভুক্ত হৈ আছে। গতিকে নতুনকৈ পুৰণি 'চৰিত্ৰ পাঠ' কিতাপখন অন্তৰ্ভুক্ত হ'লে এতিয়াৰ পাঠ্যপুথিত থকা এনে পাঠসমূহৰ কি হব সেই লৈয়ো প্ৰশ্ন উত্থাপিত হব। সেয়ে এয়া কাৰ্যকৰী কৰাৰ পূৰ্বে সঠিক পৰিকল্পনা নকৰিলে সমস্যাই দেখা দিব।

**(লেখক আনন্দৰাম উচ্চ বুনিয়াদী বিদ্যালয়ৰ সহকাৰী শিক্ষক)**

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিল্লী আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ

আৰটিআই কৰ্মী দুলাল বৰাক আজি দিল্লী আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই গ্ৰেপ্তাৰ কৰিছে। উচ্চ ন্যায়ালয়ৰ পৰা অন্তৰ্বৰ্তীকালীন জামিন লাভ নকৰাত বৰাই দিল্লীত আত্মগোপন কৰি থকা অৱস্থাত নতুন দিল্লীত আৰক্ষীৰ জালত পৰে। দিল্লীৰ কীৰ্তি নগৰ আৰক্ষী থানাৰ পৰা আদালতত হাজিৰ কৰোৱা হয় কুখ্যাত দুলালক।ট্ৰেনজিট ৰিমাণ্ডত ল'বলৈ অসম আৰক্ষীৰ এটা দল গুৱাহাটীৰ পৰা বিমানযোগে নতুন দিল্লীত উপস্থিত হৈছে বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে, আজি অসম আৰক্ষীয়ে ট্ৰেনজিত ৰিমাণ্ডত ল'বলৈ সমৰ্থ নোহোৱাত দুলাল বৰাক তিহাৰ জেললৈ প্ৰেৰণ কৰা হয়। উল্লেখ্য যে, চৰাইদেউ জিলাৰ সোণাৰিৰ বিজেপি নেতা তথা প্ৰাক্তন পঞ্চায়তৰ সভাপতি দেৱজিৎ হাজৰিকাৰ আত্মহনন কাণ্ডৰ সৈতে নামৰ সাঙোৰ খাইছিল দুলাল বৰাৰ নাম। দুলাল বৰাৰ লগতে কেইজনমান সাংবাদিকৰ নাম উল্লেখ কৰি আত্মহনন কৰিছিল দেৱজিৎ হাজৰিকাই। সোণাৰি নগৰৰ সমীপৱৰ্তী টিয়কঘাট ৰাইদঙীয়া ন-কছাৰী গাঁৱৰ পঞ্চায়ত সভাপতি দেৱজিৎ হাজৰিকাৰ মৃতদেহ ৰজাপুখুৰী পঞ্চায়তৰ ৰংগমঞ্চত ওলমি থকা অৱস্থাত উদ্ধাৰ হৈছিল। দুলাল বৰাই ব্লেকমেইল কৰাৰ কথা উল্লেখ কৰি গৈছিল বিজেপি নেতাগৰাকীয়ে। অভিযুক্ত কুখ্যাত দুলালক গ্ৰেপ্তাৰ নকৰিলে এদিন পূৰ্বে চৰাইদেউ জিলাৰ কেইবা হাজাৰ বিজেপি কৰ্মীয়ে বিজেপি ত্যাগ কৰাৰ হুংকাৰ দিছিল। তাৰ পাছতে আজি পুৱা মুখ্যমন্ত্ৰীয়ে দুলাল বৰাক লৈ প্ৰতিক্ৰিয়া প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে দুলাল বৰা সন্দৰ্ভত কেবিনেটত আলোচনা হৈছে। দুলাল বৰাক আৰটিআই কৰ্মী হিচাপে নহয়, অপৰাধী হিচাপে গণ্য কৰা হ'ব। অসম আৰক্ষীয়ে দুলাল বৰাক গ্ৰেপ্তাৰ কৰিব। মই ৰাজ্যিক তথ্য আয়োগক বিভাগসমূহক দুলাল বৰাই কৰা আৰটিআইৰ আবেদনৰ উত্তৰ নিদিবলৈ জনাইছো। লগতে দুৰ্নীতিৰ তদন্ত কৰিবলৈ নিৰ্দেশ দিয়াৰ কথা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তাৰ পাছতে দিল্লীত আৰক্ষীয়ে জিম্মাত লয় দুলাল বৰাক। প্ৰয়াত বিজেপি নেতা দেৱজিৎ হাজৰিকাৰ পত্নীয়ে সোণাৰি আৰক্ষী থানাত দাখিল কৰা এজাহাৰত আৰটিআই কৰ্মী, সাংবাদিক আৰু প্ৰাক্তন খণ্ড উন্নয়ন বিষয়াৰ নাম উল্লেখ কৰি এজাহাৰ দাখিল কৰিছিল। আত্মহত্যাৰ কৰাণ বুলি এটা নোট লিখি থৈ গৈছিল হাজৰিকাই। তাৰ পাছতে প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া ৰঞ্জিত বৰগোহাঁই আৰু সাংবাদিক পৰিস্মিকা ফুকনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। বৰ্তমানেও এজাহাৰত নাম থকা সাংবাদিক ৰফিক আহমেদক গ্ৰেপ্তাৰ কৰিব পৰা নাই আৰক্ষীয়ে। জানিব পৰা মতে, সাংবাদিক ৰফিকে জামিন লাভ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখ্য যে, ২৩ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে তলব কৰিছিল দুলাল বৰাক। বৰাই নিজ প্ৰতিষ্ঠানৰ প্ৰৱন্ধকক মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ কাৰ্যালয়লৈ পঠিয়াইছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰবিহুত পৰিণত ৫৩ বিধ

প্ৰতিবেদনত ৫০টাতকৈও অধিক সাধাৰণতে ব্যৱহৃত ঔষধক "গুণগত মানদণ্ডৰ নহয় (এনএছকিউ)" বুলি চিনাক্ত কৰিছে। এনে ঔষধসমূহৰ ভিতৰত আছে কেলচিয়াম আৰু ভিটামিন ডি ৩ চাপ্লিমেণ্ট, ডায়েবেটিছৰ চিকিৎসাত ব্যৱহাৰ কৰা এন্টি ডায়েবেটিক পিল, ৰক্তচাপ নিয়ন্ত্ৰণ ঔষধৰ দৰে সাধাৰণতে ব্যৱহাৰ কৰা কেইবাবিধো ঔষধ। লক্ষণীয় যে, গুণগত মানদণ্ডৰ নহয় বুলি চিনাক্ত কৰা এই ৫৩টা ঔষধৰ ভিতৰত উল্লেখযোগ্য হ'ল শ্বেলকেল (কেলচিয়াম আৰু ভিটামিন ডি৩), ভিটামিন বি কমপ্লেক্স, ভিটামিন চি চফ্‌টজেল, এন্টি-এচিড পেন-ডি আৰু পেৰাচিটামল ৫০০মিলিগ্ৰাম টেবলেট। এই তালিকাত আছে বহুমূত্ৰ আৰু ৰক্তচাপৰ দৰে ৰোগৰ চিকিৎসাত ব্যৱহাৰ কৰা গ্লিমেপিৰাইড আৰু টেলমিছাৰটানৰ দৰে ঔষধো। গুৰুত্বপূৰ্ণ যে, ঔষধৰ মানদণ্ড পূৰণ নকৰাকৈয়ে বজাৰত মুকলি কৰা প্ৰধান ঔষধ কোম্পানীসমূহৰ ভিতৰত আছে হেটেৰ' ড্ৰাগছ, এলকেম লেবৰেটৰীজ, হিন্দুস্তান এন্টিবায়টিকছ লিমিটেড (এইচএএল), আৰু কৰ্ণাটক এন্টিবায়টিকছ এণ্ড ফাৰ্মাচিউটিকেলছ লিমিটেডৰ দৰে কোম্পানী। সাধাৰণতে পেটৰ সংক্ৰমণৰ বাবে প্ৰেছক্ৰিপচন কৰা আৰু এইচ এ এলৰ দ্বাৰা নিৰ্মিত মেট্ৰ'নিডাজ'লক লৈও এতিয়া ৰোগীৰ মাজত বৃদ্ধি পাইছে উদ্বেগ। পিউৰ এণ্ড কিউৰ হেল্‌থকেয়াৰৰ দ্বাৰা নিৰ্মিত আৰু টৰেণ্ট ফাৰ্মাচিউটিকেলছৰ দ্বাৰা বিতৰণ কৰা শ্বেলকেলকো মানদণ্ড পূৰণ নকৰা ঔষধৰ ভিতৰত চিনাক্ত কৰা হৈছে। অন্যহাতে শিশুৰ গুৰুতৰ বেক্টেৰিয়াৰ সংক্ৰমণৰ বাবে প্ৰেছক্ৰিপচন কৰা হেটেৰোৰ চেপ'ডেম এক্সপি ৫০ ড্ৰাই ছাচপেনচনৰ লগতে আলকেম হেল্‌থ চাইন্সৰ ক্লাভাম ৬২৫ আৰু পান ডিৰ দৰে এন্টিবায়টিককো ভুৱা বুলি শ্ৰেণীভুক্ত কৰিছে কলকাতাৰ এটা পৰীক্ষাগাৰে। এই প্ৰতিবেদনৰ পিছতে বহু কোম্পানীয়ে তেওঁলোকৰ ঔষধে গুণগত মান পূৰণ কৰে বুলি দাবী কৰি পূৰণ নকৰা সেইসমূহ ঔষধ নকল বুলি দাবী কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নগাঁৱত ৰাজশ্ৰীৰ কাণ্ড

আদালতত কৰ্মৰত এগৰাকী প্ৰৱঞ্চক বুলি অভিযোগ উত্থাপিত মহিলাই। আদালত চৌহদত থাকিয়েই চাকৰিৰ নামত ধন ঘটাৰ বেহা চলাই গৈছিল আদালতৰ পেচককৰে। নাম হৈছে ৰাজশ্ৰী দেৱী। নগাঁও জিলা সত্ৰ ন্যায়াধীশৰ আদালতত কৰ্মৰত ৰাজশ্ৰী দেৱীক আজি গ্ৰেপ্তাৰৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাজশ্ৰী দেৱীয়ে নিজকে ৰাজহ চক্ৰ বিষয়া বুলি পৰিচয় দি চাকৰি দিম বুলি ধন সংগ্ৰহ কৰিছিল বুলি অভিযোগ উঠিছে। জানিব পৰা মতে, ৰাজশ্ৰী দেৱীৰ স্বামী দিব্যজ্যোতি মহন্তও নগাঁও জিলা সত্ৰ ন্যায়াধীশৰ আদালতৰ অধিবক্তা। আদালতত কৰ্মৰত ৰাজশ্ৰী দেৱীয়ে নিজকে চক্ৰ বিষয়া বুলি পৰিচয় দিছিল। নিজকে চক্ৰ বিষয়া বুলি পৰিচয় দি ধন সংগ্ৰহ কৰিছিল। ৰিমি দাস নামৰ এগৰাকী মহিলাৰ সৈতে ৰাজশ্ৰীয়ে পুৰণিগুদামৰ মীনাক্ষী নেওগ নামৰ মহিলাৰ পৰা ৩ লাখ টকা সংগ্ৰহ কৰিছিল। চক্ৰ বিষয়াৰ কাৰ্যালয়ত নৈশ চকীদাৰৰ চাকৰি প্ৰদান কৰাৰ আশ্বাস দি ৩ লাখ টকা লৈ চাকৰি দিব পৰা নাছিল। ধন উভতাই খোজাত ৰাজশ্ৰীয়ে মীনাক্ষী নেওগক ভুৱা গোচৰত অভিযুক্ত কৰাৰ ভাবুকি প্ৰদান কৰে। মীনাক্ষীয়ে নগাঁও আৰক্ষীক এজাহাৰ দাখিল কৰাত নগাঁও সদৰ আৰক্ষীয়ে ভাৰতীয় ন্যায় সংহিতাৰ ৪২০/৪৬৮ ধাৰাত ৯৪২/২৪ নম্বৰত গোচৰ ৰুজু কৰি আজি ৰাজশ্ৰী দেৱীক গ্ৰেপ্তাৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দৰঙৰ পিছত যোৰহাটত

অনাকাংক্ষিত ঘটনা। ছিপাঝাৰৰ ঘটনাৰ চাঞ্চল্যৰ মাৰ নৌযাওঁতেই পুনৰ তদ্ৰূপ ঘটনা সংঘটিত হৈছে যোৰহাট জিলাত। এইবাৰ যোৰহাট জিলাৰ দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰৰ দলে অকলশৰীয়া ছাত্ৰক হত্যাৰ প্ৰয়াস কৰাৰ অভিযোগ উত্থাপন হৈছে। আজি দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পুৱাৰ ভাগতে হুৱাদুৱা লাগে। তীব্ৰ চিঞৰ বাখৰৰ ফলত উপস্থিত শিক্ষকসকলে বাহিৰলৈ ওলাই আহে। তাৰ পাছতে এজন ছাত্ৰক ৰক্তাক্ত অৱস্থাত উদ্ধাৰ কৰে। লগে লগে ছাত্ৰজনক উদ্ধাৰ কৰি স্থানীয় হাস্পতালত ভৰ্তি কৰে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, একাংশ উদণ্ড ছাত্ৰই একাদশ শ্ৰেণীৰ ছাত্ৰজনক বৰ্বৰভাৱে প্ৰহাৰ কৰে। শ্ৰেণীকোঠাৰ পৰা ডিঙিত ধৰি টানি নি ছাত্ৰজনক আক্ৰমণৰ কৰে বুলি জানিব পৰা গৈছে। আক্ৰমণৰ বলি ছাত্ৰ জনৰ সৈতে বিদ্যালয়ৰ বাহিৰত কোনো কথাক লৈ সংঘাত লাগিছিল এটা ছাত্ৰ ফৈদৰ। উদণ্ড ছাত্ৰৰ দলটোৱে ছাত্ৰজনক প্ৰথমে শিক্ষানুষ্ঠানৰ বাহিৰত পাছত শিক্ষানুষ্ঠানত লগ পাই আক্ৰমণ কৰে। এবাৰ আক্ৰমণ কৰিয়েই ক্ষান্ত নাথাকি পুনৰ আক্ৰমণৰ কৰাত শৰীৰৰ বিভিন্ন স্থানৰ পৰা তেজ ওলাই অচেতন হয় ছাত্ৰজন। প্ৰায় ৮ ছাত্ৰই খাৰু আৰু আন কোনো অস্ত্ৰৰে আক্ৰমণ কৰাত বাৰাণ্ডাত ঢলি পৰে। যেতিয়া আন ছাত্ৰবোৰে চিঞৰ-বাখৰ কৰিবলৈ আৰম্ভ কৰে তেতিয়াই ছাত্ৰৰ দলটোৱে পলাই পত্ৰং দিয়ে। সংকটজনক অৱস্থাত ছাত্ৰজনক হাস্পতালত ভৰ্তি কৰোৱা হয়। যোৰহাট আৰক্ষী বিদ্যালয়ত উপস্থিত হৈ ঘটনাৰ তদন্ত কৰি ঘটনাত জড়িত এজন ছাত্ৰক আটক কৰিছে। এই ঘটনাই এতিয়া সমগ্ৰ ৰাজ্যত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# কফিনত বিকি উভতিল

■ প্ৰথম পৃষ্ঠাৰ পৰা...

ভৰ্তি হৈ দেশ সেৱা কৰিবলৈ ঘৰৰ পৰা ওলাই যোৱা অসম সন্তান বিকি ছেত্ৰী উভতি আহিল কফিনত। কফিনত ভৰাই ঘৰলৈ লৈ অহা বিকি ছেত্ৰীৰ মৃতদেহ প্ৰত্যক্ষ কৰি শ-শ লোকে চকুলো টুকিলে। ডিব্ৰুগড় জিলাৰ ডিকমৰ নাদুৱা চাইডিঙৰ ৩২ বছৰীয়া বিকি ছেত্ৰীয়ে বায়ু সেনাত চাকৰি লাভ কৰি কৰ্মৰত অৱস্থাত আছিল। বিগত কিছুদিন ধৰি বিকি পেনচিষ্টাইটিছ ৰোগত আক্ৰান্ত হৈছিল। মঙলবাৰে নতুন দিল্লীত ভাৰতীয় বায়ু সেনাৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাত মৃত্যুক আকোৱালি লয়। আজি নতুন দিল্লীৰ পৰা ভাৰতীয় বায়ুসেনাৰ বিশেষ বিমানেৰে ডিব্ৰুগড়লৈ মৃতদেহ অনা হয়। ভাৰতীয় বায়ুসেনাত চাৰ্জেন ৰূপে কৰ্মৰত ৩২ বছৰীয়া বিকি ছেত্ৰীৰ মৃতদেহ আজি ওপজা গাঁৱলৈ অনাৰ পাছতে কন্দোনৰ ৰোল উঠে। পৰিয়াল তথা গাঁওবাসীয়ে চকুলো টোকে। মৃতদেহ আহি পোৱা লগে লগে নাদুৱা চাইডিঙত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। বিকি ছেত্ৰীক নাদুৱা চাইডিংস্থিত শ্মশানত বায়ু সেনাৰ বিশেষ দলে সামৰিক মৰ্যদাৰে প্ৰদান কৰে। বায়ুসেনাৰ বিষয়াই ৰাষ্ট্ৰীয় পতাকা পিতৃৰ হাতত অৰ্পণ কৰাৰ পাছতে বায়ু সেনাৰ বিশেষ দল আৰু ৰাইজে শেষকৃত্য সম্পন্ন কৰে। বিকিৰ মৃত্যুত সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰে। বিকিৰ অকাল বিয়োগত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা, স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। মৃত্যুৰ সময়ত পিতৃ-মাতৃ, পত্নী, ডেৰ বছৰীয়া পুত্ৰ সন্তান, ভগ্নীসহ বহু আত্মীয়ক এৰি থৈ যায়।

# হাত দীঘল চোলা নিষিদ্ধ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

হোৱা প্ৰতিক্ৰিয়াৰ পাছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এছঅ'পি অনাৰ কথা উল্লেখ কৰিছিল। মুখ্যমন্ত্ৰীৰ ঘোষণা অনুসৰি অনাগত দিনত অনুষ্ঠিত হ'বলগীয়া এডিআৰই পৰীক্ষা অত্যাধিক ব্যৱস্থাপনাৰ মাজেৰে অনুষ্ঠিত হ'ব। নিযুক্তি পৰীক্ষাত বহিব লগীয়া পৰীক্ষাৰ্থীৰ বাবে জাৰি কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষাৰ্থীসকলে নিব লাগিব নিজৰ পৰিচয় পত্ৰ আৰু নিজৰ নিজৰ এডমিট কাৰ্ড লগত নিব লাগিব। পৰীক্ষাৰ্থীয়ে নিব পাৰিব নীলা বা ক'লা ৰঙৰ বল পেন, পেঞ্চিল, স্কেল আৰু ৰবৰ। পৰীক্ষা আৰম্ভ হোৱাৰ ডেৰ ঘণ্টাৰ পূৰ্বে পৰীক্ষাৰ্থী উপস্থিত পৰীক্ষাকেন্দ্ৰত হাজিৰ হ'ব লাগিব। পৰীক্ষাত হাফ চাৰ্ট আৰু শ্লিপাৰ পৰিধান কৰাৰ আহ্বান জনাইছে এছঅ'পি যোগে। অৰ্থাৎ হাত দীঘল চোলা পিন্ধি এইবাৰ পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বহিব নোৱাৰিব। লগতে ইয়াৰ পূৰ্বৰ এডিআৰই পৰীক্ষাত অ'এমআৰ লগত নিবলৈ নিদিয়াত ৰাজ্যত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। যাৰ ফলত আজি প্ৰকাশিত অ'এমআৰ মতে, পৰীক্ষা শেষ হোৱাৰ পিছত পৰীক্ষাৰ্থীয়ে নিজৰ প্ৰশ্নকাকত লগত লৈ যাব বুলি নিৰ্দেশ দিছে। পৰীক্ষা শেষ হোৱাৰ পিছত অতিৰিক্ত ৫ মিনিট হল'ত বাধ্যতামূলকভাৱে থাকিব লাগিব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ পৰীক্ষাতো একেই নিয়ম বান্ধি দিয়া হৈছে। পৰীক্ষাৰ এই নতুন এছঅপিক লৈয়ো এতিয়া চৰ্চা চলিছে।

# পবিতৰাত চকু পৰিছে ষ্টাৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

খবৰ অনুযায়ী ট্ৰাইবেল বেল্ট সোণাপুৰত চিমেণ্ট কোম্পানীসমূহে কাৰখানা স্থাপন কৰি সমগ্ৰ অঞ্চলটোৰ পৰিৱেশলৈ ভাবুকি কঢ়িয়াই আনিয়েই ক্ষান্ত নাথাকি ন-ন অঞ্চল নিজৰ কব্জালৈ নিবলৈ দীৰ্ঘদিন ধৰি প্ৰয়াস অব্যাহত ৰাখিছে। আচৰিত ধৰণে সোণাপুৰৰ পৰা কেই ফাৰ্লংমান দূৰৈত মৰিগাঁও জিলাৰ মায়ং মৌজাত থকা পবিতৰা অভয়াৰণ্যলৈকো চকু দি আহিছে ষ্টাৰ চিমেণ্ট নামৰ চিমেণ্ট প্ৰস্তুতকাৰী কোম্পানীটোৱে। এই কোম্পানীটোৱে নিজৰ কাৰখানা সম্প্ৰসাৰণৰ বাবে পবিতৰাক অভয়াৰণ্যৰ তালিকাৰ পৰা কৰ্তন কৰিবলৈকো আবেদন জনাইছিল। এই আবেদন কৰিবলৈ গৈ উচ্চতম ন্যায়ালয়ৰ ধমক খাবলগীয়া হৈছিল কোম্পানীটোৱে। আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত এক সংবাদমেল আয়োজন কৰি এই অভিযোগ কৰে প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই। বৰাই কয় যে প্ৰদূষণ আৰু লুণ্ঠননেৰে অসমক শোষণ কৰি থকা ষ্টাৰ চিমেণ্ট বাহিনীয়ে অসমলৈ এটকাও ৰাজহ নিদি কলকাতাত মুখ্য কাৰ্যালয় স্থাপন কৰিছে। বৰাই কয়, "২০০১ চনত মেঘালয়ত ষ্টাৰ চিমেণ্ট আৰম্ভ হৈছিল। সকলো কাৰখানা অসম আৰু মেঘালয়ত অৱস্থিত হোৱাৰ বিপৰীতে অসমৰ সোণাপুৰত আছে সৰ্ববৃহৎ কাৰখানাটো। অৱশ্যে ষ্টাৰ চিমেণ্টৰ কৰ্পৰেট কাৰ্যালয়টো অৱস্থিত 'সত্যম টাৱাৰছ', ১ম মহলা, ইউনিট নং ৯বি, ৩, আলিপুৰ ৰোড, কলকাতা - ৭০০ ০২৭ ত। ষ্টাৰ চিমেণ্টৰ কাৰখানাই অসমৰ মাটি প্ৰদূষিত কৰিছে ঠিকেই, কিন্তু তেওঁলোকে অসমত এছ জি এছ টি নিদিয়ে।" উল্লেখ্য যে, ২০১৩ চনত স্থাপিত ষ্টাৰ চিমেণ্টৰ সোণাপুৰ উদ্যোগৰ বাৰ্ষিক উৎপাদন ক্ষমতা হৈছে ২০ লাখ টন। ইয়াৰ উপৰিও মেঘালয়ৰ লুমছনঙত ২০০ হেক্টৰ ভূমি সামৰি ১৬.৭ মিলিয়ন টন ক্ষমতাসম্পন্ন এটা কাৰখানা আছে। ২০২৩ চনৰ ডিচেম্বৰ মাহত চি আৰ আই আই এল ৰেটিংছৰ ফাইলিংৰ মতে, ষ্টাৰ চিমেণ্টে সোণাপুৰ উদ্যোগত অতিৰিক্ত ২০ লাখ টন ক্ষমতা সংযোজন কৰাৰ পৰিকল্পনা কৰিছে, যাৰ ফলত বৰ্তমানৰ উদ্যোগটো দুগুণ বিশাল হ'ব। এই প্ৰকল্পত বিনিয়োগ কৰা হ'ব ২৩০০ কোটি টকা। একেদৰে ২০২৫ চনত ষ্টাৰ চিমেণ্টে শিলচৰত এটা নতুন চিমেণ্ট প্লাণ্ট মুকলি কৰাৰ পৰিকল্পনা কৰিছে বুলিও সংবাদমেলত সদৰী কৰে বৰাই। ষ্টাৰ চিমেণ্টৰ নগদ ধনৰ মজুত ২৩৭৬ কোটি টকা। প্ৰতি ত্ৰিমাসিকত কৰ আদায়ৰ পিছত কোম্পানীটোৱে উপাৰ্জন কৰে ১০০ কোটি টকা। ছেবি ফাইলিংৰ মতে ষ্টাৰ চিমেণ্টে গুৱাহাটী গ্ৰাইণ্ডিং ইউনিটৰ বাবেও কৰ ৰেহাই পায়। অসমৰ পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ লুণ্ঠন কৰা কোম্পানীটোক অসম চৰকাৰে কিয় কৰ ৰেহাই দিছে বুলি সংবাদমেলত কংগ্ৰেছ নেতাগৰাকীয়ে প্ৰশ্ন কৰে। ষ্টাৰ চিমেণ্টৰ ব'ৰ্ড বা পৰিচালনা সমিতিত এজনো অসমীয়া, জনজাতীয় বা মেঘালয়ৰ স্থানীয় ব্যক্তি অন্তৰ্ভুক্ত নহয় বুলিও বৰাই অভিযোগ কৰে। এয়া উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণৰ প্ৰতি বৈষম্য বুলি উল্লেখ কৰি বৰাই কয় যে আমচাং বন্যপ্ৰাণী অভয়াৰণ্যৰ সংৰক্ষিত অঞ্চলৰ ভিতৰত অৱস্থিত হোৱা হেতুকে ২০১৩ চনত কংগ্ৰেছে ষ্টাৰ চিমেণ্টক তাত থকা ইউনিটটো বন্ধ কৰিবলৈ কৈছিল। এই উদ্যোগটো পবিতৰা বন্যপ্ৰাণী অভয়াৰণ্যৰ ওচৰতো পৰে। কিন্তু কংগ্ৰেছৰ চৰকাৰৰ সেই নিৰ্দেশ পিছত বিজেপি চৰকাৰে কাৰ্যকৰী নকৰিলে। ২০১৯ চনৰ ২৭ ছেপ্টেম্বৰত গুৱাহাটী উচ্চ ন্যায়ালয়ত ষ্টাৰ চিমেণ্টৰ গোচৰৰ সিদ্ধান্ত ঘোষণা কৰা হয়। এই সময়ত কেন্দ্ৰ আৰু অসমত উভয়তে আছিল বিজেপি চৰকাৰ। ইয়াৰ পিছতে ষ্টাৰ চিমেণ্টে ২০১৯ চনৰ ২০ এপ্ৰিলত ৫০ লাখ টকাৰ নিৰ্বাচনী বণ্ড ক্ৰয় কৰি মাত্ৰ তিনিদিন পিছত অৰ্থাৎ ২৩ এপ্ৰিলত বিজেপিক এই ধন প্ৰদান কৰে। তাৰ পিছতে উক্ত গোচৰক লৈ চৰকাৰে একো নকৰিলে বুলি অভিযোগ কৰি এয়া কি দিয়া আৰু লোৱাৰ বিনিময় আছিল নেকি বুলি কংগ্ৰেছ নেতাগৰাকীয়ে প্ৰশ্ন কৰে। ষ্টাৰ চিমেণ্ট সম্প্ৰসাৰণ প্ৰকল্পক পৰিৱেশ আৰু বন মন্ত্ৰালয়ে ২০২২চনত অনুমোদন প্ৰদান কৰিছে। এই প্ৰকল্পই কেনেকৈ অনুমোদন লাভ কৰিবলৈ সক্ষম হ'ল বুলিও বৰাই প্ৰশ্ন কৰে। ২০২৪ চনৰ জুন মাহত কচুতলিৰ ৰাইজে এন জি টি আদালতত ষ্টাৰ চিমেণ্টৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল বাবেই প্ৰতিশোধস্বৰূপে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ষ্টাৰ চিমেণ্টৰ নিৰ্দেশত উচ্ছেদ অভিযান চলাইছে বুলিও অভিযোগ কৰে কংগ্ৰেছে। সংবাদমেলত কংগ্ৰেছ নেতা বৰাই কয় যে উচ্ছেদৰ নামত চৰকাৰে খেনোক দেখি ৰন্ধা-বঢ়া, খেনোক দেখি দুৱাৰ মৰা নীতি গ্ৰহণ কৰিছে। এনে নীতি পৰিহাৰ কৰি কংগ্ৰেছে ট্ৰাইবেল বেল্টসমূহৰ পৰা সকলো অবৈধ বেদখল উচ্ছেদ কৰাৰ দাবী উত্থাপন কৰে। এই অনুযায়ী সোণাপুৰৰ ট্ৰাইবেল বেল্ট বেদখল কৰি থকা ষ্টাৰ চিমেণ্ট, পূৰ্বাঞ্চল চিমেণ্ট আৰু ছুপাৰ লাইট চিমেণ্ট কোম্পানীৰ লগতে শেহতীয়া তাজ চিমেণ্টৰ কাৰখানাও উচ্ছেদ কৰিবলৈ দাবী জনায়। আজিৰ সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ মুখপাত্ৰ গোপাল শৰ্মা, মুখপাত্ৰ ৰিতম সিং আৰু দীপজ্যোতি চহৰীয়াও উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী সঞ্জয় কিষাণক অপসাৰণ

অভিযোগক লৈও সৰৱ হৈছে বিৰোধী দলসমূহ। মন্ত্ৰীৰ ঘনিষ্ঠক গ্ৰেপ্তাৰৰ পাছতে এই বেহাত মন্ত্ৰীৰো নাম সাঙোৰ খাই পৰিছে। অসীম কুমাৰ দাসৰ প্ৰৱঞ্চনা নেক্সাছত নাম সাঙোৰ খাইছে শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণৰ নাম। শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণৰ কাৰ্যালয়ৰ পৰাই প্ৰৱঞ্চনাৰ জাল মেলা বুলি অভিযোগ উত্থাপন হৈছে। সঞ্জয় কিষাণৰ কাৰ্যালয়ৰ পৰাই ধৃত অসীম কুমাৰ দাসে ঠিকা প্ৰদানৰ বাবে বিভিন্ন ঠিকাদাৰৰ সৈতে যোগোযোগ স্থাপন কৰিছিল। বহু ঠিকাদাৰৰ পৰা ঠিকা দিয়াৰ নামত লক্ষ লক্ষ টকা কমিচন লৈছিল। কিন্তু ঠিকা দিব নোৱাৰাত অৱশেষত ভুৱা ৱৰ্ক অৰ্ডাৰ উলিয়াই ঠিকাদাৰক বিতৰণ কৰে। বহু কেইজন ঠিকাদাৰে ৱৰ্ক অৰ্ডাৰ হাতত লৈ নিৰ্দিষ্ট কাৰ্যালয়লৈ যায় যদিও সেই কাৰ্যালয়ত নিবিদাৰ প্ৰক্ৰিয়া অনুষ্ঠিত হোৱাই নাই বুলি অৱগত হয়। এই ঘটনাক লৈ সৰৱ হৈছে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা। বেদব্ৰত বৰাই শীঘ্ৰে সঞ্জয় কিষাণক মন্ত্ৰীত্ব পদৰ পৰা অপসাৰণ কৰি আৰক্ষীৰ হতুৱাই গ্ৰেপ্তাৰ কৰিবলে মুখ্যমন্ত্ৰীক দাবী জনায়। যদি নিজ কাৰ্যালয়ৰ পৰা চলা প্ৰৱঞ্চনাৰ কথা অৱগত মন্ত্ৰী কিষাণক গ্ৰেপ্তাৰ কৰি জেৰা কৰিলে সকলো ওলাই পৰিব বুলি দাবী কৰিছে বৰাই। আনহাতে, এই প্ৰৱঞ্চনাত জৰিত বুলি সঞ্জয় কিষাণৰ নাম সংবাদমাধ্যমত প্ৰচাৰ হোৱাৰ পাছতে সঞ্জয় কিষাণে ততাতৈয়াকৈ স্পষ্টিকৰণ দিবলৈ আহি অসীম কুমাৰ দাসক চিনি নাপাও বুলি স্পষ্ট কৰে। প্ৰৱঞ্চনা কাণ্ডত কোনো কাৰণত জড়িত নহয় বুলি দাবী কৰি মন্ত্ৰী সঞ্জয় কিষাণ কয় “মই ভালদৰে চিনি নাপাও। আজিকালি বহুতে নতুন নতুনকৈ দায়িত্ব লৈ আহিছে। যেতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিটিং লয় তেতিয়া আমি কাৰ্যালয়ত যাবলগীয়া হয়। এই মৰ্চাত থকা সকলোকে চিনি পোৱাটো টান। সকলোকে চিনি পোৱাটো অসম্ভৱ। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ব্যক্তিগত সহায়ক নাই বুলি স্পষ্ট কৰে। উল্লেখ্য যে, শাসকীয় বিজেপি দলৰ বৰঘৰত দপদপাই আছে প্ৰৱঞ্চক-ভ্ৰষ্টাচাৰী। বিজেপি দল আৰু দিছপুৰৰ চৰকাৰত দপদপাই থকা প্ৰৱঞ্চকক নিয়ন্ত্ৰণ নকৰাৰ ফলতে ইজনৰ পাছত সিজন বিজেপি নেতাই অৰ্থনৈতিক অপৰাধ সংঘটিত কৰি গৈছে। বিজেপি দলে সু-শাসন চলোৱাৰ ফুলজাৰি মাৰি থাকিলেও বহু বিজেপি নেতাই স্বভাৱ সলনি কৰিব পৰা নাই। এই কথা পুনৰবাৰ প্ৰমাণিত হৈছে এদিন পূৰ্বে। বিজেপিৰ এজন আগশাৰীৰ নেতাক দুৰ্নীতি তথা প্ৰৱঞ্চনাৰ গোচৰত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই গ্ৰেপ্তাৰ কৰিছে। পূৰ্বৰে পৰা বহু অভিযোগত অভিযুক্ত ৰাজ্যিক বিজেপিৰ নেতা অসীম কুমাৰ দাসক অপৰাধ অনুসন্ধান শাখাই গ্ৰেপ্তাৰ কৰিছে। অসীম কুমাৰ দাসে বহু ঠিকাদাৰৰ পৰা ঠিকা প্ৰদানৰ নামত কেইবা কোটি টকাৰ প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন হৈছিল। এই অভিযোগৰ তদন্ত কৰি আৰক্ষীয়ে অসীম দাসক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। অসমী কুমাৰ দাস আছিল অসম বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সম্পাদক। অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সম্পাদকৰ পদত থকাৰ সুবাদতে প্ৰৱঞ্চক দাসে ঠিকা প্ৰদানৰ বাবে বিভিন্ন ঠিকাদাৰৰ সৈতে যোগোযোগ স্থাপন কৰিছিল। বহু ঠিকাদাৰৰ পৰা ঠিকা দিয়াৰ নামত কমিচন লয়। কিন্তু ঠিকা দিব নোৱাৰাত অৱশেষত ভুৱা ৱৰ্ক অৰ্ডাৰ উলিয়াই ঠিকাদাৰক প্ৰদান কৰে। বহু কেইজন ঠিকাদাৰে ৱৰ্ক অৰ্ডাৰ হাতত লৈ নিৰ্দিষ্ট কাৰ্যালয়লৈ যায় যদিও সেই কাৰ্যালয়ত নিবিদাৰ প্ৰক্ৰিয়া অনুষ্ঠিত হোৱাই নাই বুলি অৱগত হয়। ফলত কেইজনমান ঠিকাদাৰে অপৰাধ শাখাত অভিযোগ দিছিল। সমানে অসীম কুমাৰ দাসৰ নেতৃত্বৰ গেঙৰ বিৰুদ্ধে মটক স্বায়ত্ব পৰিষদৰ কোটি কোটি টকা আত্মসাৎ কৰাৰ অভিযোগ আছে। ভুৱা ৱৰ্ক অৰ্ডাৰ উলিয়াই কোটি কোটি টকা লুণ্ঠন কৰা চক্ৰটোৰ বিৰুদ্ধে অপৰাধ অনুসন্ধান শাখাই তদন্ত অব্যাহত ৰাখিছে। বিজেপিৰ কাৰ্যালয় আৰু দিছপুৰৰ মন্ত্ৰী আৱাসলৈ সঘনাই আহ-যাহ কৰিছিল অসীম কুমাৰ দাসে। বিজেপিৰ পদত থাকি দিছপুৰৰ পৰাই মেলিছিল প্ৰৱঞ্চনাৰ জাল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজহুৱা কৰা হ'ব বিপ্লৱ শৰ্মাৰ

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষতা কৰে। বৈঠকত অসম চুক্তি ৰূপায়ন মন্ত্ৰী অতুল বৰা, অজন্তা নেওগ, কেশৱ মহন্ত, ডাঃ ৰণোজ পেগু, পীযুষ হাজৰিকা, বিমল বৰা, মুখ্য সচিব ৰবি কোটা, অসম চুক্তি ৰূপায়ণ, সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ প্ৰধান সচিব জি.ডি ত্ৰিপাঠী উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাসে আৰু মুখ্য উপদেষ্টা ডঃ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য উপস্থিত থাকে। প্ৰায় দুই ঘণ্টা ধৰি অনুষ্ঠিত বৈঠকত অৱসৰপ্ৰাপ্ত ন্যায়ধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ পৰামৰ্শসমূহৰ বিষয়ে আলোচনা কৰা হয়। অসম চুক্তিৰ প্ৰতিটো ছয় নং দফাক লৈ দুয়ো পক্ষৰ সৈতে আলোচনাৰ অন্তত কেইবাটাও সিদ্ধান্ত লোৱা বুলি জানিব পৰা গৈছে। সিদ্ধান্ত অনুসৰি অসম চৰকাৰে ৰাজহুৱা কৰিব বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ প্ৰতিবেদন ৰাজহুৱা কৰিব। কাইলৈৰ ভিতৰত অসম চুক্তি ৰূপায়ণ বিভাগে ৱেবছাইটযোগে প্ৰতিবেদনখন প্ৰকাশ কৰিব। সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিবৰ্গৰ সৈতে আলোচনাৰ অন্তত এই ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। বিপ্লৱ শৰ্মা সমিতিৰ প্ৰতিবেদন পৰামৰ্শসমূহৰ ভিতৰত ৰাজ্য চৰকাৰৰ আওতাত ৪০টা, কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰ আওতাত ১২টা, কেন্দ্ৰীয় চৰকাৰৰ অধীনত ১৫টা বিষয় আছে বুলি কয় মুখ্যমন্ত্ৰীয়ে। কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা বিষয়সমূহক লৈ শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰক জনাব মুখ্যমন্ত্ৰীয়ে। কেন্দ্ৰীয় চৰকাৰৰ আওতাত থকা চুক্তিখনৰ ১৫টা বিষয়ো ৰূপায়ণৰ বাবে আগবঢ়াই নিয়াত ৰাজ্য চৰকাৰে তৎপৰতাৰে কাৰ্য সম্পাদন কৰিব। ৰাজ্য চৰকাৰৰ কৰ্তৃত্ব থকা শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ৫২টা বিষয় ৰূপায়ণৰ দিশত অসম চৰকাৰে কিদৰে ফলপ্ৰসূভাৱে আগবাঢ়িব তাৰ কাৰ্য পৰিকল্পনা অহা এমাহৰ ভিতৰত প্ৰস্তুত কৰি আগন্তুক ২৫ অক্টোবৰত পুনৰ এই সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰে পুনৰ আন এক বৈঠক অনুষ্ঠিত কৰিব। ইপিনে অসমীয়া সংজ্ঞা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে অসম চুক্তিৰ ছয় নং দফাৰ অসমীয়া মানে ১৯৫১ চন। এইটোকে আছুৰে মানে। অৱসৰপ্ৰাপ্ত ন্যায়ধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠিত উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনত ৬৭টা পৰামৰ্শ আছিল। ৬৭টা পৰামৰ্শৰ ভিতৰত ৫২টা পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ লখিমপুৰত অনুষ্ঠিত কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰি কৰিছিল। কেবিনেটৰ অন্তত বিপ্লৱ শৰ্মা ৬৭টা পৰামৰ্শৰ ভিতৰত ৫৭টা ২০২৫ চনৰ এপ্ৰিলৰ পূৰ্বে ৰূপায়ন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব বুলিও কৈছিল হিমন্ত বিশ্ব শৰ্মাই। ইপিনে বৈঠকলৈ যোৱাৰ পূৰ্বে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে অসমৰ জনসাধাৰণৰ লগতে ছাত্ৰ সন্থাই বিষয়সমূহৰ ফলাফল বিচাৰে বুলি কয়। বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ সকলো পৰামৰ্শ কাৰ্যকৰী কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপত আছুয়ে সহযোগিতা আগবঢ়াব আৰু ফলাফল নোপোৱালৈকে আছু ক্ষান্ত নহয় বুলিও উল্লেখ কৰিছে। ইপিনে বিভাগীয় মন্ত্ৰী অতুল বৰাই কয় যে অসম চুক্তি ৰূপায়ণৰ সংবেদনশীল আৰু জাতীয় স্বাৰ্থৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়টোক প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই হাতে-কামে আগুৱাই নিয়াৰ একনিষ্ঠ আৰু দৃঢ়তাপূৰ্ণ প্ৰয়াস কৰিছে। এইক্ষেত্ৰত আমি অত্যন্ত ইতিবাচক, অত্যন্ত আশাবাদী। এই বলিষ্ঠ পদক্ষেপৰ বাবে অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী হিচাপে মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছো। ৰাইজৰ আশিস শিৰত লৈ অসম চৰকাৰে চুক্তিখন যোগাত্মকভাৱে ৰূপায়ণৰ দিশত সবল ৰূপত আগবাঢ়িব। এই পদক্ষেপে অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক অধিকাৰ সুৰক্ষিত হোৱাৰ পথ সুদৃঢ় কৰিলে বুলিও কয় মন্ত্ৰী বৰাই। উল্লেখ্য যে বিৰোধী কংগ্ৰেছে আৰম্ভণিৰে পৰা প্ৰতিবেদনখন ৰাজহুৱা কৰিবলৈ মুখ্যমন্ত্ৰীক দাবী জনাই আহিছিল। লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই আখৰে আখৰে ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনখন ৰূপায়ণ কৰিবলৈকো মুখ্যমন্ত্ৰীক আহ্বান জনাইছিল। লখিমপুৰত অনুষ্ঠিত কেবিনেট বৈঠকত মুখ্যমন্ত্ৰীয়ে প্ৰতিবেদনখনৰ কেবাটাও দফা বাদ দিব বুলি কৰা ঘোষণাৰ পিছতে বিৰোধ কংগ্ৰেছৰ লগতে অসম জাতীয় পৰিষদ, ৰাইজৰ দল আদি ক্ষুব্ধ হৈ পৰিছিল।

অসম বাৰ্তাজীৱী সংঘৰ

# সোণালী জয়ন্তীৰ বিশেষ অনুষ্ঠান আৰু অধিৱেশন

**ই-সংবাদ, ওদালগুৰি ২৫ ছেপ্তেম্বৰঃ** অসম বাৰ্তাজীৱী সংঘৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তীৰ বিশেষ অনুষ্ঠান "নাগৰিক সমাজৰ সৈতে সাংবাদিকৰ আলাপ" অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ওদালগুৰি জিলা বাৰ্তাজীৱী সংঘৰ দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ২৮ আৰু ২৯ ছেপ্তেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে ওদালগুৰি পৌৰসভাৰ সভাগৃহত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ২৮ ছেপ্তেম্বৰৰ বিয়লি ৫ বজাত প্ৰতিনিধি আৰু বিষয় বাচনি সভা উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী মিনন মোছাহাৰীয়ে। উক্ত প্ৰতিনিধি আৰু বিষয় বাচনি সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকিব ক্ৰমে-অসম বাৰ্তাজীৱী সংঘৰ সাংগঠনিক সম্পাদক বশিষ্ঠদেৱ ফুকন,ওদালগুৰি জিলা বাৰ্তাজীৱী সংঘৰ উপদেষ্টা গৌতম জ্যোতি তালুকদাৰ আৰু দৰং জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক লক্ষীনন্দন কলিতা। ২৯ ছেপ্তেম্বৰৰ দিনৰ ১১ বজাত নাগৰিক সমাজৰ সৈতে সাংবাদিকৰ বাৰ্তালাপ আৰু সম্বৰ্দ্ধনা অনুষ্ঠান উদ্বোধন কৰিব বিটিআৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যবাহী সদস্য ড° নিলুৎ স্বৰ্গীয়াৰীয়ে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে-বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো,দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া আৰু অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূধন মেধি। নিৰ্দ্দিষ্ট বক্তা হিচাপে নিয়মীয়া বাৰ্তাৰ সম্পাদক নৰেশ কলিতা উপস্থিত থাকিব। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে- বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিটিআৰৰ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা,ওদালগুৰিৰ জিলা আয়ুক্ত পুলক পাটগিৰি, নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি দ্বিপেন বড়ো, অসম বাৰ্তাজীৱী সংঘৰ সাধাৰণ সম্পাদক মুকুটৰাজ শৰ্মা, ওদালগুৰিৰ পৌৰপতি, সংঘৰ কোষাধ্যক্ষ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি খনীন্দ্ৰ ৰাজবংশী। দুয়োদিনৰ সকলো কাৰ্যসূচীতে সকলো সাংবাদিক, সচেতন ৰাইজৰ সহযোগিতা আগবঢ়াবলৈ ওদালগুৰি জিলা বাৰ্তাজীৱী সংঘৰ সভাপতি আৰু সাধাৰণ সম্পাদকে আহ্বান জনাইছে।

# যোৰহাট জিলা প্ৰশাসনৰ মূঢ়তা, ‘বন মানুহ’ সজালে যাদৱ পায়েঙক

## প্ৰশাসনৰ অফিচিয়েল ফেচবুক পেজত পোষ্ট

**ই-সংবাদ, ২৫ ছেপ্তেম্বৰঃ** তেখেত হৈছে অসমৰ মান-অভিমান। দেশৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয়ে তেখেতক ‘অৰণ্য মানৱ’ ৰূপে অভিধা প্ৰদান কৰিছে। মানুহজনৰ নাম হৈছে যাদৱ পায়েং। যোৰহাট জিলাৰ ককিলামুখৰ ব্ৰহ্মপুত্ৰৰ চৰ ঔনামুখ নামৰ মৰুভূমি সদৃশ চাপৰিক অৰণ্য ৰূপে গঢ়ি দিছে এইগৰাকী যাদৱ পায়েঙে। চাপৰিখনত গছপুলি ৰোপণ কৰি অৰণ্যলৈ ৰূপান্তৰ কৰে। ৫৫০ হেক্টৰ এলেকাক অৰণ্য ৰূপ গঢ় দি ‘মুলাই কাঠনি’ নামেৰে নামকৰণ কৰিছে। ২৭ কিলোমিটাৰ আৰু বহলে প্ৰায় ১৫ কিলোমিটাৰ এলেকাত ১৯৮০ চনৰ পৰা বিভিন্ন প্ৰজাতিৰ গছ ৰুই অৰণ্যলৈ ৰূপান্তৰ কৰাত আজি বনৰীয়া জীৱ-জন্তুৰ সুৰক্ষিত বাসস্থান হৈ পৰিছে। গঁড়, ঢেঁকীয়াপতীয়া বাঘ, হৰিণা, বিভিন্ন ধৰণৰ পৰিভ্ৰমী চৰাই দেখা পোৱা যায়। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে ‘ভাৰতৰ অৰণ্য মানৱ’ উপাধি প্ৰদান কৰিছে। ২০১৫ চনৰ ২৬ জানুৱাৰীৰত ভাৰত চৰকাৰে পদ্মশ্ৰীৰে সন্মানিত কৰিছে। কিন্তু এইগৰাকী যাদৱ পায়েঙক ‘বন মানুহ’ সজাইছে যোৰহাট জিলা প্ৰশাসনে। গৃহ জিলাখনৰ প্ৰশাসনে তেওঁৰ অভিধাক বিভ্ৰান্ত কৰি ‘বন মানুহ’ বুলি আখ্যা দিছে। অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ হেমকোষৰ নতুন সংস্কৰণৰ মতে ‘বন মানুহ’ৰ অৰ্থ হৈছে এবিধ লেজ নথকা বান্দৰ। পায়েঙক নতুন অভিধা প্ৰদান কৰি যোৰহাট জিলা প্ৰশাসনৰ অফিচিয়েল ফেচবুক পেজত এটা পোষ্ট কৰিছে। জানিব পৰা মতে, আজি যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে এখন সভা অনুষ্ঠিত হয়। সভাত জিলাখনৰ বিভিন্ন বিষয় সম্পৰ্কে আলোচনা কৰা হয়। জিলাখনৰ জ্যেষ্ঠ নাগৰিকসকলৰ সৈতে অনুষ্ঠিত সভাখনত ভাৰতৰ ‘বন মানুহ’ হিচাপে জনাজাত পদ্মশ্ৰী যাদৱ পায়েঙো উপস্থিত থকা বুলি উল্লেখ কৰে। সভাত জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত প্ৰমুখ্যে জিলা-প্ৰশাসনৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।



দিল্লী আৰক্ষীৰ কজ্বাত আমন-জিমনকৈ বহি আছে দুলাল বৰা

# স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে দুলীয়াজানত উত্তাল প্ৰতিবাদ

**ই-সংবাদ, দুলীয়াজান, ২৫ ছেপ্তেম্বৰঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে হৈ থকা ধাৰাবাহিক প্ৰতিবাদৰ মাজতে আজি দুলীয়াজানতো ৰূপায়ণ হয় এক ধৰ্ণা কাৰ্যসূচীৰ। প্ৰচণ্ড ৰ'দ আৰু গৰমকো নেওচি এই প্ৰতিবাদ সাব্যস্ত কৰে জাতীয় নাৰী বাহিনী আৰু ৰাইজৰ দলে। দুলীয়াজানৰ টিপলিংস্থিত এ.পি.ডি.চি.এলৰ দুলীয়াজান সংমণ্ডলৰ কাৰ্যালয়ৰ সন্মুখত স্মাৰ্ট মিটাৰ স্থাপনৰ বিৰোধিতাৰে দল দুটাৰ অৰ্ধশতাধিক সদস্যই এই প্ৰতিবাদ সাব্যস্ত কৰে। স্মাৰ্ট মিটাৰৰ আতিশয্যা, অভাৱনীয় বিদ্যুতৰ মাচুল বৃদ্ধি আৰু অনিয়মীয়া বিদ্যুৎ যোগানৰ ফলত সাধাৰণ জনতাই ভোগ কৰা যমৰ যাতনাৰ স্বতঃস্ফূৰ্ত বহিঃপ্ৰকাশ ঘটে বিদ্যুৎ বিভাগৰ কাৰ্যালয়টোৰ সন্মুখত। স্মাৰ্ট মিটাৰ বন্ধ কৰক, শক্তি মন্ত্ৰী হায় হায়, মুখ্যমন্ত্ৰী হায় হায়, অসমৰ মানুহৰ তেজ শুহি খোৱা মুখ্যমন্ত্ৰীয়ে গাদী এৰক, বিদ্যুৎ যোগান নিয়মীয়া কৰক আদি প্ৰতিবাদী শ্ল'গানেৰে বিদ্যুৎ উপ-সংমণ্ডল কঁপাই তোলে সংগঠন দুটাই। পিছত প্ৰতিবাদকাৰীয়ে তেওঁলোকৰ দাবী সম্বলিত এখন স্মাৰক-পত্ৰ সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰে। অতিশীঘ্ৰে প্ৰতিবাদকাৰীৰ দাবীসমূহ কাৰ্যকৰী নকৰিলে পৰৱৰ্তী সময়ত ধাৰাবাহিক আৰু আন্দোলনৰ গ্ৰহণ কৰিব বুলিও হুংকাৰ প্ৰদান কৰে।

## বহুকেইটা প্ৰকল্প পৰিদৰ্শন কৰিলে মন্ত্ৰীগৰাকীয়ে

# মৰিগাঁৱত এদিনীয়া ভ্ৰমণ সূচীৰে উপস্থিত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী সুৰেশ গোপী

**ই-সংবাদ, মৰিগাঁও,২৫ ছেপ্টেম্বৰঃ** ভাৰত চৰকাৰৰ পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আৰু পৰ্যটন বিভাগৰ ৰাজ্যিক মন্ত্ৰী তথা মালায়ালম ছবিৰ প্ৰখ্যাত অভিনেতা সুৰেশ গোপীয়ে আজি এদিনীয়া চৰকাৰী ভ্ৰমণ সূচীৰে মৰিগাঁও জিলা পৰিভ্ৰমণ কৰে। এই ভ্ৰমণকালত তেওঁ জিলাখনৰ কেইবাটাও চৰকাৰী আঁচনিৰ কাম পৰিদৰ্শন কৰাৰ উপৰিও মায়ঙৰ পৰ্যটনথলী সমূহ দৰ্শন কৰে। গুৱাহাটীৰ পৰা পোনে পোনে আহি পুৱা ১০-০০ বজাত মায়ঙত উপস্থিত হয় মন্ত্ৰীগৰাকী। ইয়াৰ পাছতে তেঁও মায়ঙৰ মূৰবৰীত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী যোগান আঁচনিখন পৰিদৰ্শন কৰে। গাঁৱখনৰ ৰাইজে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া কৰ্মচাৰীৰ সহযোগত মন্ত্ৰীগৰাকীক উষ্ণ আদৰণি জনায়। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে স্থানীয় ৰাইজৰ সতে কিছুসময় মত-বিনিময় কৰে। গাঁৱখনৰ মহিলাসকলক একগোট কৰি কাপোৰ বোবলৈ নিজৰ ফালৰ পৰা কিছু তাঁতশাল যোগান ধৰাৰ কথাও ঘোষণা কৰে মন্ত্ৰীগৰাকীয়ে। যাতে ভৱিষ্যতলৈ বয়ন উদ্যোগ হিচাপে ব্যৱহাৰ কৰি স্বাৱলম্বী হ'ব পাৰে শিপিনীসকল। এই কাৰ্যসূচীৰ পাছতে তেঁও মায়ঙৰ ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া কাছশিলা পৰিদৰ্শন কৰে। কাছশিলাত জলসম্পদ বিভাগৰ বিষয়া কৰ্মচাৰীসকলে এখন মানচিত্ৰৰ জৰিয়তে মন্ত্ৰীগৰাকীৰ আগত ব্ৰহ্মপুত্ৰৰ বান গৰাখহনীয়াৰ কিছু খতিয়ান দাঙি ধৰে। ইফালে উক্ত স্থানতে মন্ত্ৰীগৰাকীয়ে মেচিন চালিত এখন নৌকাৰে ব্ৰহ্মপুত্ৰৰ বুকুত নৌকা বিহাৰ কৰে। নৌকা বিহাৰত সংগ দিয়ে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস আৰু জিলা প্ৰশাসনৰ বহুকেইজন বিষয়াই। উল্লেখযোগ্য যে নৌকা বিহাৰ কৰি থকাৰ সময়ত হঠাৎ ব্ৰহ্মপুত্ৰৰ বুকুত আবদ্ধ হৈ পৰে মন্ত্ৰীগৰাকীক কঢ়িয়াই নিয়া নৌকাখন। নদীৰ বালিত মেচিন চালিত নৌকাখন লাগি ধৰাত কিছু অথন্তৰ ঘটে বুলি জানিব পৰা গৈছে। অৱশ্যে কিছু সময়ৰ পিছত এছ ডি আৰ এফ বাহিনীয়ে নাওখন উদ্ধাৰ কৰি পুনৰ মন্ত্ৰীগৰাকীক কাছশিলা ঘাটলৈ লৈ যায়। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া আৰু জিউবেগৰ কাম পৰ্যবেক্ষণ কৰিবলৈ নৌকা বিহাৰ কৰিছিল। ইয়াৰ পাছতে তেঁও পবিতৰাৰ তামুলী ডোভা অঞ্চলত গৈ এশিঙীয়া গঁড়ৰ মুক্ত বিচৰণ দৰ্শন কৰে। দুপৰীয়া মায়ঙৰ তাৰকাযুক্ত হোটেল মিষ্টিক মায়ঙত আহাৰ গ্ৰহণ কৰি জাগী ভকতগাঁও গাঁও পঞ্চায়তলৈ গৈ তাত অমৃত সৰোবৰ আঁচনিৰ পুখুৰী এটা পৰিদৰ্শন কৰে।



## মাজুলীত বীৰ লাচিত সেনাৰ মুখ্য প্ৰশাসনিক সচিব শৃংখল চলিহা

# মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক পক'চ আদালতৰ যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও,২৫ ছেপ্টেম্বৰঃ** মৰিগাঁও চহৰৰ মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ সমীপত অস্থায়ী ভাবে বসবাস কৰা হোজাই জিলাৰ মোৰাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত হাওৰাঘাট দেৱীস্থান গাঁৱৰ আব্দুল মান্নান নামৰ এজন নাবালিকা ধৰ্ষণকাৰীক মৰিগাঁও পক'চ আদালতে আজি যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে এই লোক জনে দুবছৰ পূৰ্বে এগৰাকী নাবালিকাক নিৰ্মম ভাবে ধৰ্ষণ কৰিছিল। এই ঘটনা সন্দৰ্ভত মৰিগাঁও আৰক্ষী থানাত ৩৩৩/২০২২ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। এই ঘটনাটোৰ তদন্ত কৰি আৰক্ষীয়ে মৰিগাঁও পক'চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক'চ আদালতে পক'চ গোচৰ নং-১৬২/২০২২ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক'চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদে পক'চ আইনৰ ৬ নং ধাৰাত দোষী সাব্যস্ত কৰি অপৰাধী আব্দুল মান্নানক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ উপৰিও দহ হাজাৰ টকাৰ জৰিমনা বিহে। ধাৰ্য কৰা জৰিমনাৰ ধন অনাদায়ে অতিৰিক্ত তিনি মাহৰ কাৰাদণ্ডৰ আদেশ জাৰি কৰিছে।

# নগাঁৱত দুটাকৈ বৃহৎ জুৱাৰ ঘাটি উৎখাত, আটক সাত



**জয়ন্ত মুদৈ, বেবেজীয়া, ২৫ ছেপ্টেম্বৰঃ** নগাঁও জিলাৰ উত্তৰ-পশ্চিম প্ৰান্তত অসাধু চক্ৰই আৰক্ষীৰ চকুত ধূলি দি নিষিদ্ধ ড্ৰাগছৰ সমান্তৰালভাৱে অব্যাহত ৰাখিছে জুৱাৰ আড্ডা । ইয়াৰ মাজতে বটদ্ৰৱাৰ হাইডুবী আৰু সুঁতিৰপাৰৰ জহাজানত দুটা বৃহৎ জুৱাৰ ঘাটি উৎখাত হোৱা ঘটনাই ৰাইজৰ মাজত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে । আচলতে, আৰক্ষীৰ পৃথক পৃথক অভিযানত দীৰ্ঘদিনৰে পৰা চলি থকা এই জুৱাৰ ঘাটি দুটা উৎখাত কৰা হয় । প্ৰাপ্ত খবৰ মতে, এক গোপনে সূত্ৰৰ খবৰৰ ভিত্তিত মঙলবাৰে নিশা সুঁতিৰপাৰ আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দ্বীপ ৰেখাৰ নেতৃত্বত জহাজানত অতৰ্কিতে চলোৱা অভিযানত আৰক্ষীয়ে এটা জুৱাৰ ঘাটি উৎখাত কৰাৰ লগতে চাৰিটা কুখ্যাত জুৱাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয় । ধৃত জুৱাৰীকেইটা হৈছে ছাদ্দাম হুছেইন, ছিদ্দু ৰহমান, দুলাল মিঞা আৰু আব্দুল হাছিম । তদুপৰি আৰক্ষীয়ে জুৱাৰ ঘাটিটোৰ পৰা নগদ ধন, ম'বাইল ফোন আৰু জুৱা খেলত ব্যৱহৃত বিভিন্ন সামগ্ৰী উদ্ধাৰ কৰে । অৱশ্য, কেইবাটাও জুৱাৰীয়ে আৰক্ষীৰ অভিযানৰ উমান পাই আন্ধাৰৰ সুযোগ লৈ পলাই সাৰিবলৈ সক্ষম হয় । ইফালে, বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত হাইডুবীত সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বিশেষ তৎপৰতাত আৰক্ষীয়ে আন এটা বৃহৎ জুৱাৰ ঘাটি উৎখাত কৰে । জানিব পৰা মতে, হাইডুবীত দীৰ্ঘদিনৰে পৰা বৃহৎ জুৱাৰ ঘাটিটো দিনে-নিশাই চলি থকাৰ বিষয়ে সংখ্যালঘু সংগ্ৰাম পৰিষদৰ স্থানীয় কেইজনমান কৰ্মকৰ্তাই নগাঁও জিলা আৰক্ষী অধীক্ষকক অভিযোগ দিয়ে । সেই অভিযোগৰ ভিত্তিত জিলা সহকাৰী আৰক্ষী অধীক্ষক নিত্যা সোনোৱালৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে ক্ষীপ্ৰতাৰে অভিযান চলাই জুৱাৰ ঘাটিটো উৎখাত কৰাৰ লগতে তিনিটা জুৱাৰীক আটক কৰে । তদুপৰি অভিযানত আৰক্ষীয়ে চৈধ্যখন মটৰ চাইকেল, এটা ম'বাইল ফোন, দুই কাৰ্টন বিলাতী সুৰাৰ লগতে জুৱা খেলত ব্যৱহৃত সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয় । অৱশ্যে বহুকেইজন জুৱাৰী পলাই সাৰে ।




মৰিগাঁৱত এদিনীয়া চৰকাৰী ভ্ৰমণ সূচীৰে উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী সুৰেশ গোপী

# গ'লগৈ অধ্যাপক ডঃ ইৰশ্বাদ আলি

**ই-সংবাদ, ২৫ ছেপ্টেম্বৰঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডঃ ইৰশ্বাদ আলিৰ বুধবাৰে দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা ইৰশ্বাদ আলিয়ে ৮০ বছৰ বয়সত শেষ নিশ্বাত ত্যাগ কৰে। বিশিষ্ট কবি এম ইব্ৰাহিম আলিৰ দ্বিতীয় পুত্ৰ আছিল ইৰশ্বাদ আলি। অধ্যাপনাৰ সমান্তৰালভাৱে এগৰাকী নিপুণ চিত্ৰশিল্পীও আছিল ইৰশ্বাদ আলি। গুৱাহাটীৰ বিভিন্ন ৰাজহুৱা তথা সামাজিক-সাংস্কৃতিক অনুষ্ঠান, প্ৰতিষ্ঠানৰ সৈতে জড়িত আছিল। অধ্যয়ন, মেধা, শিল্পীসত্বা থকা ইৰশ্বাদ আলিয়ে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে লেখা-মেলা কৰিছিল।

## পলাতক প্ৰধান শিক্ষকৰ বিৰুদ্ধে কোকৰাঝাৰত গোচৰ পঞ্জীয়ন

# ৫ নাবালিকাক যৌন নিৰ্যাতন, অভিযোগ প্ৰধান শিক্ষকৰ বিৰুদ্ধে

**ই-সংবাদ, কোকৰাঝাৰ, ২৫ ছেপ্টেম্বৰঃ** শিক্ষকৰ দৰে পৱিত্ৰ বৃত্তিত নিয়োজিত শিক্ষাগুৰুৱে বিদ্যালয়ৰে একাধিক নাবালিকাক যৌন আতিশয্য চলোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হোৱা ঘটনাক লৈ কোকৰাঝাৰত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। কোকৰাঝাৰ চহৰৰ পাৰ্শ্ববৰ্তী বৰো ভদেয়াগুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ওমৰ আলি শ্বেখে বিদ্যালয়তে একাধিক নাবালিকাক বিগত তিনি চাৰি মাহৰ পৰাই যৌন নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন হৈছে। কেতিয়াবা বিদ্যালয় ছুটীৰ পিছত, কেতিয়াবা শ্ৰেণী কোঠাত আৰু কেতিয়াবা মধ্যাহ্ন ভোজনৰ চাউল ৰখা কোঠাত একাংশ ছাত্ৰীক যৌন আতিশয্য চলাই অহাৰ তথ্য পোহৰলৈ অহাৰ পিছতে সমগ্ৰ অঞ্চলটোতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্য অনুসৰি কোকৰাঝাৰ চহৰৰ পৰা দক্ষিণ দিশে প্ৰায় ছয় কিলোমিটাৰ নিলগৰ বৰো ভদেয়াগুৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ওমৰ আলি শ্বেখে (৫৮) চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ পাঁচ-ছয় গৰাকী ছাত্ৰীক প্ৰায়ে যৌন নিৰ্যাতন চলাই আহিছিল। প্ৰধান শিক্ষকজনে ছুটীৰ পাছত ছাত্ৰীকেইজনীক ৰ'বলৈ দি নিজৰ কোঠাত এজন এজনকৈ মাতি শৰীৰৰ গোপন ঠাই বিলাকত স্পৰ্শ কৰে আৰু এই সন্দৰ্ভত পৰিয়ালৰ লোকক বা আন কাৰোবাক কলে প্ৰাণে মৰাৰ ভাবুকি দিয়াৰ লগতে নিজেও বিহ খাই আত্মহত্যা কৰিব বুলি ভাবুকি দি আহিছিল। প্ৰধান শিক্ষকগৰাকীয়ে দীৰ্ঘ দিনৰ পৰাই নাবালিকা কেইগৰাকীক যৌন আতিশয্য চলাই থকাৰ কথাটো চতুৰ্থ-পঞ্চম শ্ৰেণীৰ দুজন ছাত্ৰই বহু দিনৰ পৰা লক্ষ্য কৰি আছিল আৰু যোৱা ১৭ ছেপ্টেম্বৰৰ দিনাখন ছাত্ৰ দুজনে সহ শিক্ষকক কথা খিনি কৈ দিয়ে। লগে লগে বিদ্যালয় খনত প্ৰধান শিক্ষকৰ বিৰুদ্ধে বু-বা আৰম্ভ হয়। প্ৰধান শিক্ষকে এই কথা জানিব পাৰি ১৭ ছেপ্টেম্বৰৰ দিনাই নিজৰ কোঠাতে ছাত্ৰ-ছাত্ৰী সকলোক মাতি ঘটনা সন্দৰ্ভত কাকো নকবলৈ সকীয়াই দিয়ে। প্ৰতিপত্তিশীল প্ৰধান শিক্ষকগৰাকীৰ এনে অপকৰ্ম অহুকাণে পহুকাণে বিয়পি পৰাৰ লগে লগেই গাঁৱতে গাওঁবুঢ়া, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ কৰ্মকৰ্তাৰ লগত কেবালানি আলোচনা হয় যদিও বৃহৎ ধনৰ লেনদেনৰ ফলত ঘটনাটো গাপ দিয়াৰ চেষ্টা চলায় প্ৰধান শিক্ষকজনে। প্ৰধান শিক্ষকজনে গাওঁবুঢ়া, ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকক মাতি ধনৰ প্ৰলোভন দেখুৱাই মুখ বন্ধ কৰাৰো অভিযোগ উত্থাপিত হৈছে। প্ৰধান শিক্ষকগৰাকীয়ে সুদীৰ্ঘ দিন ধৰি ছাত্ৰীসকলক গোপন অঙ্গত হাত দি অতিষ্ঠ কৰি ৰখাৰ মাজতে পিতৃ-মাতৃহীনা ১২ বছৰীয়া পঞ্চম শ্ৰেণীৰ ছাত্ৰী এগৰাকীক সুবিধা লৈ সুদীৰ্ঘ দিন ধৰি শাৰীৰিকভাৱে ব্যৱহাৰ কৰি অহাৰো অভিযোগ উত্থাপিত হৈছে। প্ৰায় ছয় দিন পূৰ্বে মধ্যাহ্ন ভোজনৰ চাউল ৰখা কোঠাত ছাত্ৰীগৰাকীক অকলে মাতি নি যৌন আতিশয্য চলোৱাৰো অভিযোগ উত্থাপিত হয়। পৰৱৰ্তী সময়ত নাবালিকা গৰাকীৰ মোমায়েকে গাঁও বুঢ়াসহ অভিযুক্ত প্ৰধান শিক্ষকৰ লগত আলোচনা কৰি ধনৰ বিনিময়ত ঘটনাটো গাপ দিয়াৰো চেষ্টা চলায় বুলি অভিযোগ উঠিছে। জানিব পৰা মতে যোৱা ২০ ছেপ্টেম্বৰ নিশা, ২১ ছেপ্টেম্বৰৰ পুৱা আৰু ২২ ছেপ্টেম্বৰত উক্ত যৌন নিৰ্যাতনৰ ঘটনা সন্দৰ্ভত স্থানীয় ৰাইজক লৈ এক সভাও অনুষ্ঠিত হৈছিল। প্ৰধান শিক্ষকগৰাকীৰ কাণ্ডক লৈ আপত্তি দৰ্শোৱা বাবে তেওঁক বিদ্যালয়ত অহা বন্ধ কৰা হৈছে বুলি জানিব পৰা গৈছে। আনকি ভুক্তভোগী ছাত্ৰীগৰাকীয়ে যাতে ঘটনাৰ সন্দৰ্ভত কাকো একো ক'ব নোৱাৰে তাৰ বাবে পৰহি দিনাই চিৰাং জিলাৰ এক গোপন স্থানলৈ মোমায়েকে ককা-আইতাকৰ লগত পঠাই দিছিল। কালি মোমায়েকজনক আৰক্ষীয়ে সোধপোছ কৰাৰ বাবে আটক কৰি অনাৰ পাছত লুকাই ৰখা ভুক্তভোগী ছাত্ৰীগৰাকীক কালি আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। কিন্তু শিক্ষকগৰাকীৰ উক্ত যৌন নিৰ্যাতন কাণ্ড গাঁৱৰ ভিতৰত গাপ দিয়াৰ বাবে গাওঁ বুঢ়া জলিৰ আলিয়ে লক্ষাধিক ধন লোৱা বুলি অভিযোগ উঠিছে। তাৰোপৰি যিয়ে এই কাণ্ডৰ বিৰোধিতা কৰিছে তেওঁকো প্ৰধান শিক্ষকজনে ধন প্ৰদান কৰি মুখ বন্ধ কৰাৰ প্ৰচেষ্টা চলাইছে বুলি অভিযোগ উঠিছে। অভিযোগ অনুসৰি ইতিমধ্যে গাওঁবুঢ়াই দুই লাখ আৰু ভুক্তভোগীৰ মোমায়েকে চাৰি লাখ টকা প্ৰধান শিক্ষক ওমৰ আলি শ্বেখৰ পৰা লোৱা বুলি চৰ্চা হৈছে।

## ২০দিন ধৰি বন্ধ হৈ আছে যোৰহাট-মাজুলী সংযোগী দলঙৰ কাম

# দলঙক লৈ মাজুলীবাসীৰ লগত প্ৰতাৰণা হৈছেঃ শৃংখল

**ই-সংবাদ, মাজুলী,২৫ ছেপ্টেম্বৰ:** বীৰ লাচিত সেনা অসমৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য প্ৰশাসনিক সচিব শৃংখল চলিহাই আজি মাজুলীত উপস্থিত হৈ গড়মূৰ প্ৰেছ ক্লাৱত এক সংবাদমেল সম্বোধন কৰে।কেবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত স্পষ্ট মতামত দাঙি ধৰে চলিহাই। মাজুলী যোৰহাট সংযোগী দলং সম্পৰ্কত শৃংখল চলিহা কয়-দলং খনক লৈ মাজুলীবাসীৰ লগত প্ৰতাৰণা হৈছে। যোৰহাট মাজুলী-সংযোগী দলং চৰকাৰে ২০২৬ত সম্পূৰ্ন হব বুলি কলে এতিয়া ইয়াৰ পৰা যিখিনি বস্তু গোপনে লৈ যোৱা হৈছে এই ক্ষেত্ৰত বীৰ লাচিত সেনাই বাধা প্ৰদান কৰিব এইটো স্পষ্ট কথা বুলি উল্লেখ কৰি বিআৰচি নামৰ কোম্পানীৰ ময়মতালিৰ বাবে সমগ্ৰ মাজুলীবাসী ৰাইজে যদি জিয়াটো ভোগে বিআৰচি দুলিয়াজনস্থিত কোম্পানী বন্ধ কৰি দিয়া হব বুলি হুংকাৰ দিয়ে।দলং সম্পৰ্ক আৰু কয় -বন্ধ কৰিবলৈ যাওঁতে যদি সংঘাত হয় তেন্তে বিআৰচি আৰু অসম চৰকাৰ দায়ী হব আৰু অসম চৰকাৰ গৃহ বিভাগ দায়ী হব সেই কাৰণে এটা কথা স্পষ্ট কৈ দিছোঁ এই ক্ষেত্ৰত চৰকাৰে স্থিতি স্পষ্ট কৰক ।কোম্পানী দুটাই যদি এনেকুৱা ময়মতালি কৰি থাকে চৰকাৰে কামটো তেওঁ লোকৰ পৰা কাঢ়ি লওঁক,এইটো আমাৰ মূল দাবী বুলি উল্লেখ কৰে।চলিহাই আৰু কয়-যিখন দলং হবলৈ গৈ আছে এই দলং খন মাজুলীবাসী ৰাইজৰ অসমৰ ৰাইজৰ আবেগৰ দলং মৰমৰ দলং ইয়াৰ লগত হেতালি খেলি থাকিলে নহব।বুলি উল্লেখ কৰে।দলং প্ৰসংগত পুনৰ কয়-মাজুলীৰ দলঙৰ বস্তু কোম্পানীয়ে নিলে আমাৰ মানুহে বাধা প্ৰদান কৰিব লাগিব।দলং সম্পৰ্কত চৰকাৰে স্থিতি স্পষ্ট কৰক নহলে দীঘলীয়া প্ৰতিবাদৰ সন্মুখীন হবলৈ সাজু থাকক।মাজুলী যোৰহাট সংযোগী দলং সম্পূৰ্ন নোহোৱা পৰ্যন্ত বীৰ লাচিত সেনা মাজুলী ৰাইজৰ লগত থাকিব।মাজুলী দলং সম্পৰ্কত যদি জেললৈ যাব লাগে বীৰ লাচিত সেনা হৈ মই নিজে যাম বুলি সংবাদমেলত উল্লেখ কৰে শৃংখল চলিহাই।মাজুলীৰ পয়ালগা স্বাস্থ্য খণ্ডৰ সম্পৰ্কত চালিহাই সংবাদমেলত কয়-মাজুলী স্বাস্থ্য খণ্ডৰ উন্নতিকৰণ হব লাগিব।পাঁচ বছৰ সৰ্বানন্দ সোনোৱালে মুখ্যমন্ত্ৰী হিচাপে মাজুলীক প্ৰতিনিধিত্ব কৰি থকাৰ পাছত এতিয়া হিমন্ত বিশ্ব শৰ্মা বাৰে বাৰে মাজুলীলৈ আহি থকাৰ পাছত মাজুলী স্বাস্থ্য খণ্ডৰ অৱস্থা কিয়বেয়া বুলি হৈছে বুলি চৰকাৰক প্ৰশ্ন কৰে।মাজুলীৰ প্ৰসূতিয়ে নদীৰ বুকুত সন্তান জন্ম দিব লগা হৈছে এই ঘটনা দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি কয়-মাজুলীত পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয় থকাৰ পাছতো মাজুলীৰ প্ৰসূতিয়ে নদীত সন্তান প্ৰসৱ কৰিব লগা মানে জিলা চিকিৎসালয় খনত সেই সুবিধা বোৰ নাই। মাজুলীৰ এগৰাকী মহিলা চিকিৎসাৰ বাবে যোৰহাট, ডিব্ৰুগড়লৈ যাব লগা হৈছে এইটো ভয়ানক কথা হৈছে বুলি উল্লেখ কৰে চলিহাই। এই সম্পৰ্কত মাজুলীৰ জিলা চিকিৎসালয়ত গৈ অধীক্ষকক এখন স্মাৰক পত্ৰ কৰা কথা উল্লেখ সংবাদমেলতেই উল্লেখ কৰে।অসমৰ ভূমি বেদখল সম্পৰ্কত সংবাদমেলত চলিহাই কয়-যত যত বেদখল হৈছে তাত বেদখল মুক্ত হব লাগিব।জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে বাংলাদেশী মূলৰ মানুহ বিলাক উচ্ছেদ কৰিব লাগিব।সি হিন্দু বাংলাদেশীয়েই হওঁক বা মুছলমান বাংলাদেশীয়েই হওঁক।এই সন্দেহ জনক মানুহ খিনিয়ে আমাৰ জনগাঁথনি সাংঘাতিক ধৰণে পৰিৱৰ্তন কৰিছে, এনেকৈ যদি হৈ থাকে আমি সংখ্যালঘু হবলৈ বেছি দিন নাই।ধিংৰ কথা উল্লেখ কৰি কয়- ধিংত কেবাখনো গাঁও সংখ্যালঘুত পৰিণত হ'ল চব বাংলাদেশী মূলৰ মানুহে দখল কৰিলে।এই সন্দেহযুক্ত মূলৰ মানুহ খিনিয়ে আমাৰ মানুহ খিনিক যদি বাৰে বাৰে আক্ৰমণ কৰি থাকে পত্যাক্ৰমন হব।এই সন্দেহ যুক্ত মানুহ খিনিক যিয়ে নেতৃত্ব দি থাকিব বা ৰাজনীতি দলে নেতৃত্ব দি থাকিব অসমৰ পৰা বয়কত কৰা হব।ৰাজনীতি উৰ্ধত গৈ জাতি বচোৱা সংগ্ৰাম খন যিয়ে কৰিব তাৰ লগত বীৰ লাচিত সেনা থাকিব বুলি উল্লেখ কৰে।এই সম্পৰ্কত আৰু কয়-চৰকাৰে আমাৰ থলুৱা মানুহ খিনিক কিয় অধিকাৰ দিয়া নাই। আমাৰ মিছিং সকলৰ আলি আয়ে লিগাংত কিয় বন্ধ দিয়া নাই।কেইখন মান জিলাত বন্ধ হৈছে বাকী বিলাক খোলা এই বিলাকৰ বিৰুদ্ধে প্ৰতিবাদ হৈছে আমি প্ৰীতিবাদ কৰিছোঁ ।আমি অধিকাৰ বিলাক খুজিবলৈ প্ৰতিবাদ কৰিব লাগে আৰু বাংলাদেশী মূলৰ মানুহৰ বাবে একো নাই বুলি উল্লেখ কৰি আমাৰ সংগ্ৰাম খিলঞ্জীয়া মানুহৰ অস্তিত্বৰ ৰক্ষাৰ সংগ্ৰাম বুলি কয়।তেওঁ আৰু কয়-যদি আমি উজনি অসম বচাব নোৱাৰো আমাৰ খোজ কাঢ়িবলৈ জেগা নাথাকিব।সেই কাৰণে আমি কৈছোঁ আমাক ভূমি অধিকাৰ লাগে,সম্পদৰ ওপৰত অধিকাৰ লাগে আৰু ৰাজনীতি অধিকাৰ লাগে।এইগিতা কংগেছ দিয়ে বিজেপিয়ে দিয়ে এজেপিয়ে দিয়া আমাৰ দৰকাৰ নাই।আমাক অস্তিত্ব সুৰক্ষা লাগিব বুলি সংবাদমেলত দাবী কৰে।২০২৬ চনৰ নিৰ্বাচনৰ সম্পৰ্কত কয় -খিলঞ্জীয়া সংগ্ৰামৰ বাবে যদি ৰাজনৈতিক ভাবে সংগ্ৰাম কৰিব লগা হয় তেন্তে ৰাইজে বিচাৰিলে পৰৱৰ্তী সময়ত বিবেচনা কৰা হব বুলি উল্লেখ কৰে শৃংখল চলিহাই।এই ক্ষেত্ৰত বৃহৎ অভিবৰ্ত দি ৰাইজৰ মতামত লোৱা কথা সংবাদমেলতেই উল্লেখ কৰে।ভিত্তি বৰ্ষ ১৯৫১ চন বিচাৰিছোঁ। আমি ৭১মানি নলও,আমি সেইটো বিচৰা নাই বুলি উল্লেখ কৰে।স্মাৰ্ট মিটাৰ সম্পৰ্কত চালিহাই কয় -স্মাৰ্ট মিটাৰ বন্ধ নহলে ফল বেয়া হব বুলি উল্লেখ কৰে।সংবাদমেল খনত বীৰ লাচিত সেনাৰ মাজুলী জিলা সমিতিৰ সভাপতি দ্বীপেন পগাগ,মুখ্য সচিব,সঞ্জিত অসম বৰা,উপ সভাপতি। দ্বয় ক্ৰমে ৰমেন শইকীয়া, ৰূপক বৰুৱা ,বিত্ত সচিব পাপুল কাকতি আদি উপস্হিত থাকে।

## চাপৰত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহ উদযাপন

**ই-সংবাদ, চাপৰ, ২৫ ছেপ্তেম্বৰ**: সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰী জিলাৰ চাপৰত সপ্তম ৰাষ্ট্ৰীয় পোষণ মাহ উদযাপন কৰা হয় । চাপৰ শালকোচা শিশু সংহত প্ৰকল্পৰ উদ্যোগত ১ ছেপ্টেম্বৰৰ পৰা বিভিন্ন অঞ্চলত পোষণ মাহ উদযাপন কৰি আহিছে। চাপৰৰ তিনি খন বাগিচাকে ধৰি প্ৰতিখন অংগনবাড়ী কেন্দ্ৰৰ শিশু আৰু মাতৃৰ পুষ্টিহীনতা, আৰু ৰক্তহীনতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হৈছে। শিশু আৰু মহিলা সকলে কি ধৰণৰ শাক-পাচলি আৰু বতৰৰ ফল খাব লাগে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ৰাইজক অৱগত কৰে। ইপিনে অংগনবাড়ী কৰ্মী সকলে বিভিন্ন ধৰণৰ শাক, পাচলি আৰু ফল মুল মুৰত লৈ এক সজাগতা সভা যাত্ৰা উলিওৱা পৰিলক্ষিত হয়। আজি চাপৰ শালকোচা শিশু সংহত প্ৰকল্পৰ অধীনত শালকোচাত পোষণ মাহৰ অনুষ্ঠানৰ সামৰণি মাৰে। উক্ত কাৰ্য্যসূচীত মহকুমা স্বাস্থ্য বিষয়া আবুল কালাম আজাদ, চিডিপিও জোৎসনা বিশ্বাস দে আদি উপস্থিত থাকে। ইতিমধ্যে ৰক্তহীনতাত ভোগা চাৰি গৰাকী শিশুক উদ্ধাৰ কৰি দুগৰাকী শিশুক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ লৈ প্ৰেৰণ কৰিছে বুলি চিডিপিও গৰাকী জানিবলৈ দিয়ে।

## শেষ পৃষ্ঠা

**হোটেলৰ মালিকৰ পলায়ন**

# হোজাইৰ মোৰাঝাৰত খাদ্য পৰিদৰ্শকৰ অভিযান

ই-সংবাদ মোৰাঝাৰ, ২৫ ছেপ্তেম্বৰ: হোজাই মোৰাঝাৰত খাদ্য পৰিদৰ্শকৰ দলে আজি অভিযান চলায়। হোজাই জিলাৰ মোৰাঝাৰ বজাৰত খাদ্য বিভাগৰ দুই বিষয়াই আজি ৰাতিপুৱা ১১ বজাৰ পৰা আৰম্ভ কৰে বিভিন্ন ব্যৱসায়ী প্ৰতিষ্ঠান আৰু হোটেলত অভিযান । উল্লেখ্য যে কোনো লাইচেন্স অবিহনে বছৰ বছৰ ধৰি মোৰাঝাৰত কেনেকৈ চলাই গৈছে হোটেল সমুহ।দুই খাদ্য পৰিদৰ্শক বিষয়াৰ অভিযানত পোহৰলৈ আহে লাইচেন্স অবিহনে মোৰাঝাৰত মানুহৰ জীৱনক লৈ হেতালি খেলা হোটেল ব্যৱসায়িক প্ৰতিষ্ঠান সমুহৰ গৰাকীয়ে । হোজাই জিলাৰ খাদ্য পৰিদৰ্শক বিভাগৰ অভিযান পাছতে পোহৰলৈ আহে মোৰাঝাৰত চলা অবৈধ হোটেল সমুহৰ আচল স্বৰূপ। ইয়াকে লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াই দেখা দিছে। উল্লেখ যোগ্য যে হোটেল গ্ৰীণ প্লাজা চুইটচ এণ্ড ফাষ্ট ফুড ৰেষ্টুৰেণ্ট, বেকাৰী, মা হোটেল, ৰাজস্থান হোটেল আদি বহু ব্যৱসায়ী প্ৰতিষ্ঠানত বিষয়াই অভিযান চলায়। হোটেল আৰু ৰেষ্টুৰেণ্টৰ ৰান্ধনী শালতো চলায় অভিযান । গ্ৰীণ প্লাজা চুইটচ এণ্ড ফাষ্ট ফুড ৰেষ্টুৰেণ্টৰ ৰান্ধনী শালত দুৱাৰ বন্ধ কৰি দুই বিষয়াই চলায় ৰহস্যময় অভিযান। অস্বাস্থ্যকৰ পৰিবেশত গ্ৰীণ প্লাজাৰ ৰান্ধনী শালত বিভিন্ন মিঠাই প্ৰস্তুত কৰাৰ অভিযোগ ৰাইজৰ ।খাদ্য পৰিদৰ্শকৰ উপস্থিতি গম পাই একাংশ হোটেলৰ মালিকে হোটেল বন্ধ কৰি পলায়ন কৰে।কলেজ ৰোডৰ মিষ্টিমুখ বাপন হোটেলকে ধৰি বহুকেইখন হোটেলৰ মালিক কৰ্মচাৰীয়ে পলায়ন কৰে। মিষ্টিমুখ হোটেলৰ ৰান্ধনিশাল আৰু শৌচাগাৰ একেলগে যাৰ ফলত দুৰ্গন্ধময় অস্বাস্থ্যকৰ পৰিৱেশ হৈ পৰিছে। এনে পৰিৱেশত মিঠাই প্ৰস্তুত কৰি অস্বাস্থ্যকৰ ভেজাল গেলা পচা মিঠাই বিক্ৰীৰো অভিযোগ দীৰ্ঘদিনীয়া। হোটেলখনৰ গৰাকীয়ে পলায়ন কৰা বুলি ৰাইজে জনায়। পৰৱৰ্তীসময়ত এই হোটেল সমুহ কেনেদৰে চলে লক্ষণীয় হ'ব।

# বিজেপিৰ নেতৃত্বৰ পৰা ধমক খালে কংগনা ৰাণাৱটে

**কৃষি আইনক লৈ মন্তব্য কৰি বিপাঙত সাংসদগৰাকী**

**মুম্বাই, ২৬ ছেপ্টেম্বৰঃ** প্ৰথমবাৰৰ বাবে সাংসদ নিৰ্বাচিত হৈ নিজ দলৰ পৰাই বাৰে বাৰে ধমক খাবলগীয়া হৈছে বিতৰ্কৰ সম্ৰাজ্ঞী কংগনা ৰানাৱটে। দিল্লীৰ কৃষক আন্দোলনত 'হত্যা-ধৰ্ষণৰ দৰে ঘটনা সংঘটিত হৈছিল' বুলি মন্তব্য কৰি নিজ দল অৰ্থাৎ বিজেপিৰ নেতৃত্বৰ পৰাই সকিয়নী লাভ কৰিছিল অভিনেত্ৰী তথা মাণ্ডীৰ সাংসদ কংগনাই। কিন্তু তাৰ পিছতো পোন বাট নোলোৱা কংগনা ৰানাৱটে এইবাৰ বাতিল হোৱা তিনি কৃষি আইনক লৈ মন্তব্য কৰি পুনৰ এবাৰ সকিয়নী লাভ কৰিবলগীয়া হ'ল নিজ দলৰ পৰা। অৱশ্যে এই সকিয়নীৰ পিছতে পূৰ্বৰ দৰেই এয়া তেওঁৰ ব্যক্তিগত মত বুলি নিজৰ মন্তব্য ওভতাই লয় তেওঁ। দৰাচলতে কৃষকৰ বিশাল প্ৰতিবাদী আন্দোলনৰ পিছত মোদী চৰকাৰে বাতিল কৰিবলৈ বাধ্য হৈছিল তিনিখন ক'লা কৃষি আইন। এই সন্দৰ্ভত শেহতীয়াকৈ প্ৰতিক্ৰিয়া দি কংগনা ৰানাৱটে কয়, "মই জানো যে এয়া বিতৰ্কিত হ'ব, কিন্তু মই ভাবো বাতিল কৰা কৃষি আইনসমূহ ঘূৰাই আনিব লাগে। খেতিয়কে নিজেই এয়া দাবী কৰা উচিত। তেওঁলোক দেশৰ উন্নয়নৰ স্তম্ভ। তেওঁলোকৰ ওচৰত মোৰ এটা আবেদন আছে, নিজৰ কল্যাণৰ বাবে প্ৰত্যাহাৰ কৰা এই আইন কেইখন ওভতাই আনক।" সাংসদ তথা অভিনেত্ৰী কংগনা ৰানাৱটৰ কৃষি আইনক লৈ এই মন্তব্যই ৰাজনৈতিক মহলৰ লগতে সামাজিক মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। বিজেপি নেতা গৌৰৱ ভাটিয়াই কংগনাক একপ্ৰকাৰ সকিয়নী দি তেওঁ দলৰ হৈ ক'বলৈ অকতৃত্বশীল নহয় বুলি সাংসদগৰাকীৰ স্থিতিৰ পৰা গা এৰা দিয়ে। গৌৰৱ ভাটিয়াই এক্স হেণ্ডেলত লিখে, "কংগনা ৰানাৱটৰ কৃষি বিল ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱাৰ কথা বিজেপিয়ে সমৰ্থন নকৰে। মই স্পষ্টকৈ ক'ব বিচাৰো যে এয়া তেওঁৰ ব্যক্তিগত বক্তব্য। কংগনা ৰানাৱট বিজেপিৰ হৈ এনে বক্তব্য দিবলৈ কৰ্তৃত্বশীল নহয় আৰু ইয়াৰ দ্বাৰা কৃষি বিধেয়ক সন্দৰ্ভত বিজেপিৰ মতামত প্ৰতিফলিত নহয়। আমি এই বক্তব্য নাকচ কৰো।" গৌৰৱ ভাটিয়াৰ এই পোষ্টৰ পিছতে কংগনাই নিজৰ স্থিতি প্ৰকাশ কৰি লিখে, "অৱশ্যেই কৃষি আইন সম্পৰ্কে মোৰ মতামত ব্যক্তিগত। এই মতামতে সেই বিধেয়কসমূহৰ ওপৰত দলৰ স্থিতি প্ৰতিনিধিত্ব নকৰে। ধন্যবাদ।" ইফালে কৃষি আইনক লৈ বিজেপি সাংসদগৰাকীয়ে কৰা এনে মন্তব্যৰ পিছত সৰৱ হৈ পৰিছে বিৰোধীও। কংগ্ৰেছৰ মুখপাত্ৰ সুপ্ৰিয়া শ্ৰীনেটে কয়, "৭৫০ জনতকৈ অধিক কৃষক শ্বহীদ হ'ল, তেতিয়াহে মোদী চৰকাৰ সাৰ পাই এই ক'লা আইন প্ৰত্যাহাৰ কৰিছিল। এতিয়া বিজেপিৰ সাংসদে সেই আইন কেইখন ঘূৰাই অনাৰ পৰিকল্পনা কৰিছে। কিন্তু কংগ্ৰেছ সদায় কৃষকৰ লগত আছে।" ইফালে কংগনা ৰানাৱটৰ এনে মন্তব্যক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে লোকসভাৰ বিৰোধী নেতা ৰাহুল গান্ধীয়েও। এক্সত এটা ভিডিঅ' বাৰ্তাযোগে ৰাহুল গান্ধীয়ে এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা উত্তৰ বিচাৰে। এই সমগ্ৰ বিতৰ্কক লৈ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কয়, 'বিজেপিৰ এগৰাকী সাংসদে ক'লা কৃষি আইন ঘূৰাই অনাৰ কথা কৈছে। মোদী জী, আপুনি ইয়াৰ বিৰোধী নে নহয়, স্পষ্টকৈ কওক। কৃষক আইনখন ঘূৰাই আনিব নেকি? যদি তেনেকুৱা হয়, তেন্তে মই আপোনালোকক আশ্বাস দিছো যে সমগ্ৰ ইণ্ডিয়া মিত্ৰজোঁট ইয়াৰ বিৰুদ্ধে থিয় দিব।" ৰাহুল গান্ধীয়ে পুনৰ কয়, '৭০০ কৃষক শ্বহীদ হৈছে। আমি সেই কথা মনত ৰাখিব লাগিব। সেই শ্বহীদ সকলৰ বাবে মোদী জীয়ে দুই মিনিট সময় মৌনতা অৱলম্বন কৰিবলৈও নিদিলে। এই কথা আমি কেতিয়াও পাহৰিব নোৱাৰো।" কংগ্ৰেছ সাংসদগৰাকীয়ে প্ৰধানমন্ত্ৰীক প্ৰশ্ন কৰে এইদৰে, "চৰকাৰী নীতি কোনে নিৰ্ধাৰণ কৰিছে? এগৰাকী বিজেপি সাংসদ নে প্ৰধানমন্ত্ৰী মোদীয়ে? ৭০০ৰো অধিক কৃষকৰ, বিশেষকৈ হাৰিয়ানা আৰু পঞ্জাৱৰ কৃষকৰ শ্বহীদ লোৱাৰ পাছতো বিজেপি সন্তুষ্ট নহ'ল। কিন্তু ইণ্ডিয়া মিত্ৰজোঁটে কৃষকৰ বিৰুদ্ধে বিজেপিৰ কোনো ষড়যন্ত্ৰ সফল হ'বলৈ নিদিয়ে। যদিহে কৃষকৰ ক্ষতিৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা হয়, তেন্তে মোদী জীয়ে পুনৰ ক্ষমা খুজিব লাগিব।"


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

সম্পাদকঃ বিজি গগৈ (অবৈতনিক)